চান্দমামা

ফেব্ৰুৱাৰি ১৯৮৯



কৰম কৰম
পাতল
ও
মুৰ্মুৰিয়া
৭ বিধ সোৱাদত–
কিমান যে সোৱাদ আৰু জুতিলগা
অতি লোভনীয় জিভাৰে পানী পৰিব
সাতবিধ সোৱাদত
লিজ্জত পাপড়
SYMBOL OF WOMAN'S STRENGTH
লিজ্জত
পাপড়
Mudra B: 5221 Asm

আপোনাৰ সন্তানক খুৱাওক প্ৰোটিন-সমৃদ্ধ কণীৰ গুণ!
পূৰ্বেই ৰান্ধি লোৱা
ফেৰেক্স®-এগ
৬ মাহৰ পৰা।
নতুন ফেৰেক্স-এগ প্ৰোটিনেৰে ভৰপূৰ, আপোনাৰ সন্তানৰ পৰিপূৰ্ণ বিকাশৰ কাৰণে যাৰ একান্ত প্ৰয়োজন । ইয়াক আগতেই ৰান্ধি লোৱা আৰু সেয়ে তাৰ নুমলীয়া হজম শক্তিৰ বাবে অতিকে কোমল ।
ফেৰেক্স- বাঢ়ি উঠাৰ সোৱাদভৰা উপায়।
PROTEIN-RICH
Farex-egg
WITH CEREAL, EGGS AND MILK
ফেৰেক্স গঢ়ন-বাঢ়নৰ সম্ভাৱত এতিয়া পাব:১.ফেৰেক্স গাখীৰযুক্ত চিৰিয়েল ২.ফেৰেক্স ভেজ৩.ফেৰেক্স-এগ।

GX/32/244 ASM

চান্দমামা

ফেব্ৰুৱাৰি ১৯৮৯

*

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯
কথাৰ কথা	:	১০
মুখৰ মেহাৰ	:	১১
মানৱ-সমাজৰ বস্তু	:	১৭
পঞ্চপ্ৰশ্ন	:	১৯
পৰাক্ৰম আৰু প্ৰতিজ্ঞা	:	২৭
ভাৰৱী-পকীয়া ভাও	:	৩৩
মণি-মঞ্জৰী-৪	:	৩৫
মানুহৰ দুৰ্বল ঠাই	:	৩৯
কৃষ্ণাৱতাৰ	:	৪৩
চোৰৰ চোৰাত	:	৫১
তিনিটা তামৰ মুদ্ৰা	:	৫৬
যঁতৰ-যাতনা	:	৫৯
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে: ৩·০০ টকা মাথোন

বছৰেকীয়া বৰঙণি

৩৬·০০ টকা মাথোন

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.



Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্ৰপাণি * বি নাগিৰেড্ডি

এইবাৰ আৰম্ভ হ'ল নতুন ধাৰাবাহিক ‘পঞ্চপ্ৰশ্ন’। আমি এই নতুন ধাবাবাহিক সম্প:র্ক পাঠক-পাঠিকাসকলৰপৰা মতামতৰ প্ৰত্যাশী। চান্দমামাৰ ‘ফটো-নামকৰণ প্ৰতি-যোগিতা'লৈ যোগদানকাৰীসকললৈ কওঁ: তেওঁলোকে যেন আৰু কেইদিনমানৰ আগতে লিখি পঠায়। কিয়নো—এই প্ৰতিযোগিতাৰ কাৰ্ড পাওঁতে অত্যধিক পলম হৈছে। কোন সংখ্যাৰ বাবে প্ৰতিযোগিতা—তাকো স্পষ্টকৈ লিখি পঠায় যেন। ঠিকনা সম্পূৰ্ণ আৰু সঠিক হ'ব লাগে আৰু পিন-ক'ড নাম্বাৰ থাকিব লাগে। সকলো পাঠক-পাঠিকালৈ শুভেচ্ছা আৰু বিনম্ৰ আন্তৰিক নমস্কাৰেৰে আজিলৈ ইমানেই।

অমৰ-বাণী

উত্তমে তু ক্ষণম্ কোপা মধ্যমে ঘটিকাদ্বয়ম্।
অধমে স্যাদহূৰাত্ৰম্ চণ্ডালে মৰণান্তিকঃ॥

[উত্তম লোকসকলৰ ক্ৰোধ ক্ষণকালৰ বাবে, মধ্যমসকলৰ ক্ৰোধ দুই-এক ঘণ্টা, অধমইতৰ ক্ৰোধ এদিন-এনিশা আৰু নীচমানুহবিলাকৰ ক্ৰোধ আমৰণ একেদৰে থাকে।]

বছৰ: ১৩ ফেব্ৰুৱাৰি ১৯৮৯ **সংখ্যা: ১১**

খনে: ৩'০০ টকা : : বছৰেকীয়া বৰঙণি: ৩৬'০০ টকা

The Adventures of GEMS BOND
MEET THE MOST EXCITING HERO OF THEM ALL... GEMS BOND!
MY NAME IS BOND... GEMS BOND
GEMS BOND THINKS HE'S ON A SIMPLE MISSION THIS TIME: ALL HE HAS TO DO IS TAKE PROF. MATHEMAGIC AND HIS SECRET FORMULA TO HEADQUARTERS.
BUT, UNKNOWN TO BOTH OF THEM, THE DREADED BLACK COBRA GANG IS AROUND THE CORNER - AND WAITING TO STRIKE!
LET'S GET HIM!
IF THE PROF'S FORMULA FALLS INTO THE WRONG HANDS, THE FUTURE OF THE WORLD COULD BE AT STAKE!
WE'RE BEING FOLLOWED!
WE MUST SAVE THE SECRET FORMULA!
GEMS BOND STEPS ON THE ACCELERATOR OF HIS GEMSMOBILE -
BUT THE VILLAINS ARE CATCHING UP!
GEMS BOND IS IN CONTROL: IT'S TIME FOR HIM TO PRESS THE GEMS BUTTON!
DON'T WORRY PROF!
THE GEMSMOBILE RELEASES A FLOOD OF GEMS, TAKING THE VILLAINS BY SURPRISE!
THE VILLAINS' CAR GOES OUT OF CONTROL... AND GEMS BOND SCORES OVER THE BLACK COBRA GANG AGAIN. THE FORMULA IS SAVED!
CRASH
Cadbury's GEMS
AND SO GEMS BOND IS READY TO FACE HIS NEXT ADVENTURE. THE EXCITEMENT CONTINUES...
Cadbury's GEMS
Non-stop excitement!
OBM/3617

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

আটাইতকৈ চুটি বান্দৰকেইটি



উড়িষ্যাৰ ভুবনেশ্বৰৰ ওচৰত থকা নন্দন-কানন চিৰিয়াখানা বগা-বৰণৰ বাঘৰ কাৰণে বিখ্যাত। সম্প্ৰতে এই চিৰিয়াখানাই আমেৰিকাৰপৰা দুটি মাৰ্‌ম'ছাট বান্দৰ প্ৰাপ্ত হৈছে। এই মাৰ্‌ম'ছাট বান্দৰ বৰ বেছি ছয় ইঞ্চিকৈহে ওখ।

সৰাতোকৈ প্ৰাচীন জীৱিত দম্পতি



ছোভিয়েত ৰুছিয়াৰ বাকুৰ ওচৰত থকা ১২২ বছৰীয়া ইলিয়াছ জাফৰভ আৰু তেওঁৰ পত্নী ১১৮ বছৰীয়া খতিয়ানে যোৱা ছেপটেম্বাৰ মাহত তেওঁলোকৰ ২০০ পুত্ৰ-পুত্ৰী নাতি-নাতিনীয়েক, প্ৰপৌত্ৰ-প্ৰপৌত্ৰী আদিৰ আনন্দধ্বনিৰ মাজত তেওঁলোকৰ ১০৩ তম বিবাহ বাৰ্ষিকী উদ্‌যাপন কৰিলে!

আপদকালৰ আই-বাই



যোৱা ছেপটেম্বাৰ মাহত হোৱা অসমৰ বিধ্বংসী বানপানীৰ কালত শোণিতপুৰৰ সাহায্য শিবিৰৰ (ৰিলিফ কেম্প) ওচৰত এজাক বনৰীয়া হাতী, বিষধৰ সাপ, আৰু এটা বিৰাট বাঘও শান্তিপূৰ্ণভাৱে আছিল। শিবিৰৰ ওচৰে পাঁজৰে থকা কোনো মানুহৰ ওপৰতে সিহঁতে অলপো উৎপাত কৰা নাছিল।

টেল-আভিভৰ ওপৰেদি কিনো উৰি গৈছিল?

টেল-আভিভৰ হাজাৰ-বিজাৰ অধিবাসীয়ে টেল-আভিভৰ ওপৰেদি দুটা অজ্ঞাত উৰন্ত বস্তুৱে কমলা বৰণৰ আঙনি বিকিৰণ কৰি উৰি যোৱা দেখা পাইছে। এইবোৰ যে কি—সেই কথা বিজ্ঞানীসকলে অদ্যাপি ক'বলৈ সক্ষম হোৱা নাই।

কথাৰ কথা

মলয়পুৰৰ জমিদাৰ আছিল কথা-চহকী মানুহ। তেওঁ আছিল অতি খঙাল আৰু সেই দেখি, তেওঁৰ সৈতে বহুতেই মাত-বোল কৰাৰ নামত সেপ ঢুকিছিল।

এবাৰ জমিদাৰ ডাঙৰীয়া ফুৰিবলৈ গ'ল পাহাৰলৈ। পাহাৰৰ ওপৰৰপৰা তেওঁ এজন ভেড়া-ৰখীয়াক পাহাৰৰ নামনিত ভেড়া চৰাই থকা দেখা পালে। পাহাৰৰপৰা নামি অহাৰ পাছত জমিদাৰ ডাঙৰীয়াই ভেড়া-ৰখীয়াক মাতিলে।

আৰু ভেড়া ৰখীয়াই লগে লগে পাহাৰ বগাই ওপৰলৈ উঠিল। জমিদাৰ ডাঙৰীয়াও তাৰ পিছে পিছে উঠিবলৈ ধৰিলে। তেওঁ ভাগৰি পৰিল। অনৰ্গল কথা চোবাই চোবাই উঠি থকাৰ ফলতহে জমিদাৰ ডাঙৰীয়াৰ এই অৱস্থা হ'ল।

"চাওক, পাহাৰ বগাওঁতে যিমান কম কথা ক'ব, সিমানেই কম ভাগৰ লাগিব! বেছি কথা চোবোৱাতহে আপোনাৰ এই অৱস্থা হ'ল।" ভেড়া-ৰখীয়াই ক'লে।

কেৱল পাহাৰ বগাওঁতেই নহয়, জীৱনত প্ৰথমবাৰৰ বাবে জমিদাৰ ডাঙৰীয়াই অনুভৱ কৰিলে যে অতিৰিক্ত কথা চোবোৱা—বাস্তৱিকেই অনুচিত। তাৰে কোনো উপকাৰ নহয়।



মুখৰ মেহাৰ

কেতবৰ গাঁৱৰ কুটকুৰা আছিল বৰ টান মুখৰ ল'ৰা। কথাত তাৰ আখৈ ফুটে। ৰাইজে তাক আঁৰত কটাৰ পো বুলি কটাক্ষ কৰিছিল ; কিন্তু কুটকুৰাই নিজক স্পষ্টবাদী বুলিহে ভাবিছিল। কুটকুৰাই গাঁৱৰ ৰাইজৰ ইটো-সিটো কাম ঠিকমতেই কৰিছিল।

মাকে তেওঁৰ এই পিতৃহীন ল'ৰা কুটকুৰাক কৈছিল, "তই কাকো কঠুৱা কথা নক'বি ঐ—কেতিয়াবা তোৰ এই স্বভাৱৰ কাৰণে তই আগমূৰা বাঁহটো যেন হৈ পৰিবি।"

এবাৰ কুটকুৰাক এজন কেৰাণীয়ে ক'লে, "মোৰ বুঢ়া দেউতাক দিনে-ৰাতি চোৱা-চিতা কৰিলে মই তোমাক দুশ টকাকৈ মাহেকত দিম। মোৰ যে সময় নাই—জানাই। মোৰ মাজু ল'ৰাটোৱে পঢ়া-লিখা কৰাৰ পাছত আৰু,সময় উলিয়াব নোৱাৰে। ছোৱালী দুজনী তো সংগীততে মগ্ন। আৰু সিহঁতৰ মাৰৰ কথা আৰু কৈ লাভ নাই—তেৱেঁই ৰান্ধনী, তেৱেঁই বাঢ়নী, আৰু ঘৰিণীও তেৱেঁই।"

শুনি কুটকুৰাৰ উঠিল খং। সি কেৰাণী মানুহজনক ক'লে, "জন্মদাতা পিতৃক সেৱা-শুশ্রূষা কৰাৰ মন আপোনাৰ নায়েই দেখিছোঁ। পিতৃঋণ বোলা জগতত একো নাইনে? ছেঃ!" এই বুলি কৈ, কুটকুৰা উচাট মাৰি গুচি গ'ল।

ঠিক সেইদিনাই মুঞ্চুপ এগৰাকীয়ে কুটকুৰাক মতাই নি ক'লে, "চোৱা কুৰা, কালিলৈ মোৰ স্বৰ্গী দেউতাৰ বছৰেকীয়া পতা হ'ব। ৰন্ধা-বঢ়াৰ দায়িত্ব যাক দিয়া হৈছিল, সেই মানুহজন বেমাৰত পৰিল।

'বসুন্ধৰা'

তুমি যদি দায়িত্ব লোৱা—মই তোমাক এই কামটোৰ বাবে এশ টকা দিম।"

কুটকুৰাই যেনিবা কুঠাৰ জৰা দি উঠি ক'লে, "মোৰ গৰু আছে, বলদ আছে, হাল বাব পাৰোঁ; কিন্তু হেতাৰে ৰান্ধিব নোৱাৰোঁ। আপুনি এইবোৰ কামআপোনাৰ ল'ৰাইতক কৰিবলৈ নকয় কিয়?"

তাৰ পাছত—কুটকুৰাক ইজনৰ পিছত সিজনকৈ ভালেকেইজনমানে ইটো-সিটো কাম কৰি দিবলৈ ক'লে। তাৰ মাটিৰ গৰাকী ভূষণে ক'লে পানী কঢ়িয়াই আনিবলৈ, বীৰনাৰায়ণ বৈদ্যই ক'লে ডাল-পাত-শিপা খুন্দনাত খুন্দি দিবলৈ।জমিদাৰে ক'লে জাবৰ-জোথৰখিনি চোতালৰপৰা গুচাই দিবলৈ। কিন্তু কুটকুৰাই কাৰো কাম নকৰি, সকলোকে গালি পাৰি, হুপহুপাই ঘৰলৈ গুচি গ'ল।

আৰু ঘৰত ভৰি দিয়াৰ লগে লগেই কুটকুৰাৰ মাকে কুটকুৰাক ক'লে, "ঐ কুৰা, তোৰ মামাৰে মোক মাতি পঠিয়াইছে, তোক হেনো খুব দৰকাৰ। আচলতে—তোৰ হ'বলগা শহুৰেকেই কিজানি মামাৰৰ যোগেদি তোক মাতি পঠালে।"

কুটকুৰাই তৎক্ষণাৎ হ'বলগা শহুৰেকৰ সৈতে দেখা কৰিবলৈ ওলাই পৰিল!

কিন্তু অলপমান দূৰ যাওঁতে-নৌ-যাওঁতেই এজন শকত-আৰত মানুহে তাক ক'লে, "হেৰা, ক'লৈ যাবানো? চাওঁ গাড়ীৰপৰা নামি আহাঁচোন— ?"

কুটকুৰাই বিৰক্ত হৈ সুধিলে, "তুমিনো কোন? মোৰ বাট ভেটি থিয় দিছা কিয়?"

মানুহজনে কুটকুৰাক ঠেলা এটা মাৰি ক'লে, "এই গৰুৰ গাড়ীখন মোৰ। এই গাড়ীৰপৰা নামি যোৱা।" এই বুলি কৈ, মানুহজন গাড়ীখনত উঠি দিলেগৈ।

কুটকুৰাই মানুহজনৰ ওপৰত বাঘৰ দৰে জঁপিয়াই পৰিব বুলি ভাবি থাকোঁতেই দীঘল লাঠি এডাল দাঙি মানুহজনে ক'লে, "মই সৌ—সৌখন গাঁৱৰ গাঁওবুঢ়া।

তুমি যে কাক কি কৈছা নাজানা। চোৰৰ পো চোৰৰ দৰে গুচি যোৱা।"

কুটকুৰাই শুদা হাতেৰে একো কৰিব নোৱাৰি নেগুৰৰ জুই মুমাই গুচি গ'ল। তাৰ পাছত সি তাৰ হ'বলগা শহুৰেকক ঘটনা বিবৰি ক'লে, "মোৰ গৰুৰ গাড়ীখন ঘূৰাই পোৱাৰ ব্যৱস্থা কৰি দিয়ক।"

শহুৰেকে ক'লে, "চোৱাঁ, সেই গুণ্ডাটোৰপৰা গাড়ী ঘূৰাই পোৱাটো টান। সম্ভৱ—সম্ভৱেই নহয়। তাক কিবা ক'লে সি যে কি কৰিব আমাক, ভাবিলেও হাত-ভৰি পেটত লুকায়।"

কুটকুৰাই ভুৰু কোঁচাই, "কী—ঈ? এই গাঁৱৰ গাঁওবুঢ়াৰ কিবা বল-শকতি নায়েইনে? এটা গুণ্ডাই গুণ্ডামী কৰি এনেকৈ সাৰি যাব? ইমানেই সাহ!"

"আছে, গাঁওবুঢ়া ইয়াতো আছে। কিন্তু—এই চন্দ্রগুণ্ডাৰ এটা মস্ত গুণ হ'ল যে—সি ডাঙৰসকলৰ মান ধৰে, মানে। বয়সস্থ সকলৰ আগত সি একেবাৰে মূৰটি নাদাঙে। ডাঙৰৰ আগত কেতিয়াও তল মূৰৰ বাহিৰে ওপৰ মূৰ নকৰে।"

"মই মোৰ গাড়ীখন ঘূৰাই নাপাৰেঁই তেন্তে?" হতাশ হৈ কুটকুৰাই ক'লে।

"পাবা, যদি এটা কাম কৰিব পাৰা। চন্দ্রক চান্দি-বান্দি ধৰিব পৰা আমাৰ ইয়াত কোনো নোলাব। তুমি তোমালোকৰ গাঁৱৰ কোনোবা বয়সিয়াল গণ্য-মান্যক যদি তাৰ



ওচৰলৈ পঠাব পাৰা—কাৰ্য্যোদ্ধাৰ নহৈ নাথাকে।" শহুৰেকে তেওঁৰ এই ভাবী জোঁৱায়েকটিক কিটিপ এটি দিলে।

তেতিয়া কুটকুৰাই তাৰ নিজৰ বীৰত্বৰ সকলুৰা ঘটনা কিছুমানৰ কথা তাৰ শহুৰেকক ক'লে। শুনি তাৰ হ'ব লগা শহুৰেকে ক'লে, "শুনিলোঁ তোমাৰ কথা। পিছে—চন্দ্ৰগুপ্ত গুণ্ডা হোৱা সত্বেও দহোৱাইজৰ মৰম পায়। তুমি তোমাৰ গাঁৱৰ বয়সস্থসকলৰ প্ৰতি যেনেকৈ উপেক্ষা প্ৰদৰ্শন কৰিছা, সেই কাৰ্য্য সমৰ্থন কৰা টান। লোকৰ লগত টানমুখীয়া নহৈ মিঠা ব্যৱহাৰ কৰিলে ক্ষতিনো কি?"

"ঠিক আছে, দৰ্কাৰ হ'লে মই আমাৰ গাঁৱৰ বয়স্থসকলৰ ভৰিত ধৰি হ'লেও কাৰ্য্যোদ্ধাৰ কৰিম।" এই বুলি কৈ, কুটকুৰা তৎক্ষণাৎ গাঁৱলৈ উভতি গ'ল।

উভতি গৈ, কুটকুৰাই সেই কেৰাণী মানুহজনক কথাখিনি ক'লেগৈ। সি কেৰাণী মানুহজনৰ বুঢ়া দেউতাকৰ সেৱা-শুশ্ৰূষাও কৰি দিব বুলি ক'লে। কেৰাণী মানুহজনে কুটকুৰাক ক'লে, "কি কৈছাহে তুমি? মগৰ মুলুকনে কি? তোমাৰ গাড়ীখন ক'ৰবাৰ কোনোবা এজনে লৈ ল'ব? পিছে—মোৰ বুঢ়া দেউতাৰ আল-পৈচান—মই নিজেই ধৰিম বুলি স্থিৰ কৰিছোঁ। এই বাবে আন কাকো নলওঁ।"

পাছদিনা কুটকুৰাই এফালৰপৰা—মুঞ্চুপ, মাটিৰ গৰাকী ভূষণ, বৈদ্য বীৰ-নাৰায়ণ আৰু অন্যান্য কিছুমান লোককো টানি ধৰিলেগৈ ঘটনাৰ কথা তথা চন্দ্ৰ-গুপ্তৰ অন্যায়-জুলুমৰ কথা কৈ। আৰু সি তেওঁলোকৰপৰা সহায় প্ৰাৰ্থনা কৰিলে।

কিন্তু তেওঁলোকৰ প্ৰত্যেকেই কুটকুৰাক শলাগ ক'লে, যে—কুটকুৰাইহে তেওঁ-লোকৰ চকুত আঙুলি দি তেওঁলোকৰ ত্ৰুটি তথা কৰ্তব্যত গাফিলতিৰ কথালৈ আঙুলিয়াই দিছিল, আৰু তাৰ ফলত তেওঁলোকৰ বিৰাট উপকাৰ হৈছিল।

কিন্তু সেই বুলি—এটা ভয়ংকৰ গুণ্ডাৰ লগত ফেৰ মাৰিবলৈ তেওঁলোক অপাৰগ।

এইদৰে, প্ৰায় সাতদিন ধৰি ঘৰে ঘৰে ঘূৰি ঘূৰি বহুতকে তাৰ এই আহু-কলীয়া কথাবোৰ কৈ গ'ল ; কিন্তু ইমানকৈ কোৱা সত্বেও একো ফল নহ'ল। যদিও কুটকুৰাৰ এনে পৰিৱৰ্তনত সকলোটিয়েই ভাল পালে; তথাপি তাৰ হৈ কোনো এজনেও চন্দ্ৰগুপ্তাক লগ নধৰিলে।

আৰু অৱশেষত কুটকুৰা নিজেই চন্দ্ৰ-গুণ্ডাৰ ওচৰলৈ গ'ল আৰু ক'লে, "হেৰা চন্দ্ৰ, তুমি যিমানেই ডাঙৰ গুণ্ডা নোহোৱা লাগিলে—মোৰ গাড়ীখন এতিয়াই দি দিয়া, নহ'লে তোমাৰ নাকৰ ওপৰত ন হাত পানী যে হ'ব সেই কথা ধ্ৰুৱপ। কোনেও তাক ৰুধিব নোৱাৰিব। গতিকে যি কৰা সোনকালকৈ কৰা।"

চন্দ্ৰগুণ্ডাই ক'লে, "তুমি কাক কি কৈছা জানানে ? গাড়ীখন যদি সঁচাসঁচিকৈ নিবা বুলিহে আহিছা, তেনেহ'লে মোৰ লগত এহাত যুঁজাকৈ তো নহৈছে। সেই ক্ষমতা তোমাৰ হ'বনে বাৰু ? কেৱল ঠান-ভানেৰে কাম নিসিজিব নহয় ?"

"হয়নে ? বোলোঁ—হয়নে ? মোৰেই গাড়ীখন নিবলৈ তোমাৰ লগত যুঁজ-বাগৰ পৰীক্ষা সঁচাসঁচিকৈ দিব লাগিবনে ? তুমি নিজক বৰ বাঘৰ ছাও বুলি ভাবিছানে কি ?" এই বুলি কৈয়েই কুটকুৰাই চন্দ্ৰ-

গুপ্তাক কেইঘোচামান মাৰি বগৰাই পেলালে। এনেকৈ হঠাৎ অভাৱিতভাবে আক্ৰান্ত হৈ প্ৰচণ্ড শক্তিশালী চন্দ্ৰগুপ্তা অসহায়ভাৱে কটা কলগছটোৰ দৰে হুৰমুৰকৈ তললৈ বাগৰি পৰিল।

কুটকুৰাই চন্দ্ৰগুপ্তাৰ নেলুত হেঁচি ধৰি ক'লে, "চোৰা চন্দ্ৰ, মই খাটি খোৱা মানুহ, আৰু তুমি জুলুম কৰি পৰৰ ওপৰত খোৱাটো। পৰৰ ওপৰত পচলা কুটা-টোৰেই তোমাৰ কাম। আগলৈ বুজ-বিবেচনাৰে চলিবা, নহ'লে মৰিবা।"

কুটকুৰা গ'ল তাৰ হ'বলগা শহুৰেকৰ ওচৰলৈ। গৈ তাৰ বীৰত্বৰ কথা ক'লে।

শহুৰেকে ক'লে, "তুমি তোমাৰ গাঁৱৰ বয়সিয়াল কাকো নানি—অকলেই তাক ধৰিলাহিনো কি সাহসত?"

কুটকুৰাই লগে লগে কৈ উঠিল, "চন্দ্ৰগুপ্তাক চিধা কৰাতো কাৰোবাৰ সহায় লাগিবনে? মই অকলেই যথেষ্ট। গাঁৱৰ বয়সিয়ালহঁতৰ সহায় লৈ লাভটোনো কি? একো লাভ নহ'লহেঁতেন।"

"শুনা, আচল কথা হ'ল—ব্যৱহাৰ। নম্ৰ, সুন্দৰ ব্যৱহাৰেৰে মানুহে অসাধ্যকো সাধিব পাৰে। এইবাৰ সত্য যিকোনো মানুহেই বুজি পাব লাগিব, উপলব্ধি কৰিব লাগিব, মানিব লাগিব। যি কি নহওক—তুমি যে মোৰ পৰামৰ্শ মনে-চিতে গ্ৰহণ কৰিছিলা, আৰু তাক প্ৰয়োগ কৰিবলৈকো চেষ্টা কৰিছিলা, সেই কথাৰ মই শলাগ লৈছোঁ।" কুটকুৰাৰ শহুৰেকে কুটকুৰাক সাৰকথাটি ক'লে।

তাৰ পাছত কুটকুৰা তাৰ গাড়ীখনত উঠি ঘৰলৈ গ'ল। ঘৰলৈ গৈ তাৰ মাকক সি সকলো কথা ক'লে। কিছুদিনৰ পাছত কুটকুৰাৰ বিয়াখনো পতা হ'ল আৰু আগলৈ কুটকুৰাই মুখৰ মেহাৰেৰে মধুৰ ব্যৱহাৰ কৰি লোকৰ তথা নিজৰ পত্নীৰপৰাও সুনাম-সন্মান পোৱা হ'ল।

মানৱ-সমাজৰ ৰত্ন

পৰ্বতদেশত উত্তম কবিৰাজ নামৰ এগৰাকী খ্যাতিমান চিকিৎসক আছিল। কিন্তু উত্তম কবিৰাজে পৰ্বতদেশৰ বৈৰীদেশ পুষ্পকদেশৰ প্ৰজাবৰ্গকো চিকিৎসক কৰাত পৰ্বতদেশৰ ৰজা শিৰপ্ৰভুৱে উত্তম কবিৰাজক বেয়া পাইছিল।

এদিন ৰজা শিৰপ্ৰভুৱে উত্তম কবিৰাজক ক'লে, "আপুনি জানি-বুজিও বৈৰীদেশৰ প্ৰজাক চিকিৎসা কৰাটো কিন্তু ৰাজদ্ৰোহিতাৰ সমতুল কাৰ্য্য।"

কিন্তু তথাপি উত্তম কবিৰাজে নিজক সংযত কৰিব নোৱাৰিলে। বেমাৰী য'ৰে-পৰাই নাহক, তেওঁ চিকিৎসা নকৰি নোৱাৰে। চিকিৎসকৰ শত্ৰু নাই—এয়ে তেওঁৰ আজন্ম বিশ্বাস।

এমাহমানৰ পাছৰ কথা। চিকাৰ কৰাৰ অন্তত ৰথত উঠি ৰাজধানীলৈ উভতি যাওঁতে ৰথ ৰখাই পৰ্বতৰাজ-শিৰপ্ৰভুৱে দুজন শিষ্যৰে সৈতে লতা-পাত-শিপা বুটলি থকা উত্তম কবিৰাজক বিৰক্তিৰে ক'লে, "কবিৰাজ মহাশয়, আপুনি এতিয়াও আমাৰ বৈৰীদেশৰ প্ৰজাহঁতক চিকিৎসা কৰাৰ কথা মই জানিব পাৰিছো। আমাৰ দেশৰ প্ৰজা হৈ আমাৰ বিৰুদ্ধে এনে অপমানজনক আচৰণ তথা বিৰোধিতাৰ শাস্তি ল'বই লাগিব।"

ৰজাৰ ৰথ প্ৰচণ্ড গতিৰে গৈ থাকিল। কিন্তু হঠাৎ ৰথখনে এটা প্ৰচণ্ড জোকাৰণি খালে, আৰু ৰথৰ সাৰথি ৰথৰপৰা তললৈ উফৰি পৰিল। ৰথখনো বাগৰি বাগৰি এঠাইত দুৰমূৰকৈ পৰিলগৈ। ৰথৰ চকা এটা ভাগি এনে দুৰ্ঘটনা ঘটিল। ৰজা

শিৰপ্ৰভু আহত হ'ল। তেওঁ ভৰিত আৰু কান্ধত আঘাত পালে।

প্ৰহৰী-পৰিবৃত উত্তম কবিৰাজে বহু দূৰৰপৰা এই দুৰ্ঘটনালৈ লক্ষ্য কৰি প্ৰহৰী-হঁতক ক'লে. "মহাৰাজক মোৰ গৃহলৈ এতিয়াই লৈ আহাঁগৈ। পলম নকৰিবা।"

উপায়ান্তৰ নেদেখি প্ৰহৰীহঁতে আহত ৰজাক উত্তম কবিৰাজৰ গৃহলৈ লৈ গ'ল। উত্তম কবিৰাজে ৰজাৰ ক্ষতস্থানবোৰ ভালকৈ পৰিষ্কাৰ কৰি বিভিন্ন লতা-শিপা আদি পিহি উত্তমকৈ প্ৰলেপ লগাই দিলে আৰু গাৰ বিষ গুচাব পৰা দৰব খুৱাই দিলে।

কিছু সময়ৰ অন্তত ৰজা শিৰপ্ৰভুৰ গাৰ বিষ-বেদনা নোহোৱা হ'ল আৰু তেওঁ ৰাজধানীলৈ যাব পৰাকৈ সুস্থ হৈ উঠিল।

উত্তম কবিৰাজ তেতিয়া তাত নাছিল। তেওঁ আন এবিধ দৰব প্ৰস্তুত কৰি আছিল। উত্তম কবিৰাজৰ প্ৰবীণ নামৰ শিষ্য এজনে ৰজা শিৰপ্ৰভুক ক'লে, "মহাৰাজ! আমাৰ গুৰুক আপুনি ৰাজদ্ৰোহী হিচাপে দণ্ড বিহিছিল যেতিয়া, তেতিয়া আপুনিও কিন্তু আমাৰ গুৰুৰ শত্ৰু হৈছিল। তথাপি তেওঁ আপোনাকো চিকিৎসা কৰিলে।"

ৰজা শিৰপ্ৰভুৱে উত্তমবৈদ্যৰ শিষ্যৰ কথাৰ সাৰমৰ্ম উপলব্ধি কৰিলে আৰু উত্তম কবিৰাজক ক'লে, "হে শ্ৰেষ্ঠ চিকিৎসক! আপোনাৰ আচৰণেই সঠিক। মই মোৰ ভ্ৰান্ত চিন্তাধাৰা বুজি পাইছোঁ। ৰজাৰ শত্ৰু-মিত্ৰ থাকিব পাৰে; কিন্তু প্ৰকৃত চিকিৎসক এগৰাকীৰ 'শত্ৰু' কদাপি থাকিব নোৱাৰে। এজন প্ৰকৃত চিকিৎসকে ক'ৰ-কোন আদিলৈ লক্ষ্য নকৰি অসুস্থক সুস্থ কৰি তুলিব—আজি মই পৰিষ্কাৰ-ভাৱে এই কথাটি উপলব্ধি কৰিলোঁ। কেৱল এখ দেশৰে নহয়, চিকিৎসক এগৰাকী সমগ্ৰ মানৱ-সমাজৰ ৰত্ন।"

এই বুলি কোৱাৰ কৈ, তেওঁৰ বহুমূল্য মালাধাৰ কবিৰাজক ডিঙিত পিন্ধাই দিলে।



পঞ্চপ্ৰশ্ন

ধনে-জনে ভৰপূৰ সুসমৃদ্ধ দেশ কৌশাম্বীদেশৰ নৃপতি বহুবলীয়ে কন্যাসন্তান লাভ কৰিলে ; কিন্তু পুত্ৰসন্তান নথকা হেতুকে মনত বৰ দুঃখ আছিল। দুঃখৰ অন্যতম প্ৰধান কাৰণ হ'ল যে তেওঁৰ মৃত্যুৰ পাছত এই কৌশাম্বী দেশৰ ৰজা হ'ব কোন—এই দুশ্চিন্তা। জীৱনৰ অন্যান্য চিন্তাতকৈ এই চিন্তাটোৱেই তেওঁক খুলি খুলি খাইছিল। তাৰ পাছত এদিন হঠাৎ ৰজাৰ মৃত্যু হ'ল।

●

ৰজা বহুবলীদেৱৰ কন্যা সুলোচনা আছিল দেখাই-মেলাই অতি অপূৰ্ব সুন্দৰী! সুলোচনাক বিবাহ কৰাবলৈ অসংখ্য ৰাজকোঁৱৰ আহিল-গ'ল ; কিন্তু সুলোচনাই দেশৰ শাসনৰ বাঘজৰীডাল সঠিকভাৱে ধৰিব পৰা কাৰোবাক নাপাই বিবাহ নকৰি প্ৰকৃত পাত্ৰ বিচাৰি বাট চাই থাকিল।

'চান্দমামা'

এইবোৰ ঘটনা চলি থাকোঁতেই বিভিন্ন তীৰ্থক্ষেত্ৰ ভ্ৰমণৰ অন্তত সুলোচনাৰ গুৰুদেৱ পণ্ডিত সুধাকৰাচাৰ্য্য ৰাজধানীলৈ আহিল। সুলোচনাই গুৰুদেৱ পণ্ডিত সুধাকৰাচাৰ্য্যক ক'লে, "গুৰুদেৱ, আমাৰ এই দেশখনক সুকলমে চলাব পৰা কাৰোবাকহে মই বিয়া কৰাব খুজিছোঁ।"

সুলোচনাৰ কথাষাৰ শুনি অলপ সময় ধৰি চিন্তা কৰাৰ অন্তত সুধাকৰাচাৰ্য্যই ক'লে, "শুনা, সুলোচনা, তোমাৰ এই ইচ্ছা কাৰ্য্যকৰী কৰিবলৈ হ'লে এটি বিশেষ উপায় ল'ব লাগিব। দ্বিবৎসৰকাল ধৰি বিভিন্ন তীৰ্থ ভ্ৰমি যি অভিজ্ঞতা আৰ্জিলোঁ, সেই অভিজ্ঞতাৰ ভেটিত তোম্যক মই পাঁচটি প্ৰশ্ন কৈ দিম—যি পাঁচটি প্ৰশ্ন তুমি তোমাক বিবাহেচ্ছুক ৰাজকোঁৱৰসকলক সুধিবা। এই পঞ্চপ্ৰশ্নৰ সঠিক উত্তৰ যিজনৰপৰা পাবা, সেইজনক তুমি বিবাহ কৰাবা।" এই বুলি কোৱাৰ অন্তত গুৰু সুধাকৰাচাৰ্য্যই প্ৰশ্ন পাঁচোটি ৰাজকুঁৱৰী সুলোচনাক ক'লে।

গুৰুৰ নিৰ্দেশ মতে ৰাজকুঁৱৰী সুলোচনাই সমগ্ৰ দেশত এই মৰ্মে ঘোষণা কৰিলে। সেই ঘোষণা শুনি বিভিন্ন দেশৰ ৰাজকোঁৱৰ সুলোচনাক বিবাহ কৰাবলৈ আহিল। কিন্তু পাঁচটো প্ৰশ্নৰ উত্তৰৰ তো প্ৰশ্নয়েই নুঠে, এটা প্ৰশ্নৰো সঠিক উত্তৰ দিব নোৱাৰি তলমূৰ হৈ উভতি গ'ল।

কিছুদিনৰ অন্তত নেপালৰ ৰাজকোঁৱৰ ধীৰসিংহ কৌশাম্বীদেশলৈ আহিল, আৰু সুলোচনাক সুধিলেগৈ, "আপোনাৰ প্ৰথম প্ৰশ্নটোনো কি জানিব প্যৰোঁনে?"

"মোৰ প্ৰথম প্ৰশ্ন হ'ল—" সুলোচনাই ৰাজকোঁৱৰ ধীৰসিংহক ক'লে, "কেইবছৰ মানৰ আগতে এই দেশত এবাৰ দেখিছিলোঁ, আৰু এবাৰলৈ দেখাৰ মন আছে—এনে ধৰণৰ কথা ক'ৰপৰা মই মাজে-মধ্যে শুনি থাকোঁ, তাৰ অন্তৰ্নিহিত অৰ্থ কি, এয়ে হ'ল মোৰ প্ৰথম প্ৰশ্ন।"



"সাত দিনৰ অন্তত আপোনাৰ প্ৰথম প্ৰশ্নৰ সঠিক উত্তৰ দিম।" ধীৰসিংহই ৰাজকুঁৱৰী সুলোচনাক ক'লে।

তাৰ পাছত ধীৰসিংহ তেওঁৰ ঘোঁৰাটোৰ পিঠিত উঠি পোনে পোনেই পূৰ্ব দিশলৈ গৈ থাকিল। গৈ গৈ তেওঁ এডৰা অৰণ্য পালেগৈ। অৰণ্যৰ কাষেদি গৈ থাকোঁতে হঠাৎ ধীৰসিংহৰ কাণত পৰিল এহাল শিয়াল-শিয়ালনীৰ কথা। ধীৰসিংহই পশু-পক্ষীৰ মাত-বোল বুজি পাইছিল।

ধীৰসিংহই সেই শিয়াল-শিয়ালনী-হালক সুধিলে, "মোৰ কথাৰ উত্তৰ দিয়া. তোমালোকে হা-হুতাশ কৰিছা কিয় ?"

"ইয়াৰপৰা কিছু দূৰৈত এটা ভয়ানক জন্তু আছে। এই জন্তুটোৱে আমাৰ পোৱালিবিলাকক মাৰি পেলাইছে।" শিয়ালহালে ধীৰসিংহক ক'লে।

শিয়াল এটাক লগত লৈ ধীৰসিংহ অৰণ্যৰ ভিতৰত থকা প্ৰকাণ্ড গুহা এটালৈ গ'ল। তাত তেতিয়া সেই ভয়ানক জন্তুটো টোপনিয়াই আছিল। নিদ্ৰিত প্ৰাণীক হত্যা কৰিব নাপায়—এই কথা সুঁৱৰি ধীৰসিংহ এজোপা গছৰ ওপৰলৈ উঠিলেগৈ। তাৰ পাছত সেই ভয়ানক জন্তুটো টোপ-নিৰপৰা সাৰ পোৱাৰ লগে লগে তাক প্ৰচণ্ডভাৱে আক্ৰমণ কৰি হত্যা কৰিলে।

পৰম আনন্দিত শিয়াল-শিয়ালনীয়ে ৰাজকোঁৱৰ ধীৰসিংহক ক'লে, "হে ৰাজ-কোঁৱৰ! তোমাৰ এই মহৎ উপকাৰ আমি জীৱনকালতো নাপাহৰোঁ। তোমাৰ কাৰণে কিবা কৰিব পাৰিলে আমি নথৈ সুখ পাম। তুমি কিয় এই অটব্য অৰণ্যলৈ আহিছিলা—আমাক ক'বানে ?"

ধীৰসিংহই শিয়াল-শিয়ালিনীক সকলো কথা ভাঙি-পাতি ক'লে।

তেতিয়া শিয়ালহালে তেওঁক ক'লে. "তুমি এই অৰণ্য পাৰ হৈ বাঁওদিশলৈ গৈ থাকা। আমাৰ কথা :তে গৈ থাকিলে তোমাৰ মনোবাঞ্ছা নিশ্চয় পূৰণ হ'ব।"



শিয়ালহালৰ কথা মতে ৰাজকোঁৱৰ ধীৰসিংহ অৰণ্য পাৰ হৈ বাঁওদিশলৈ গৈ থাকিল। গৈ গৈ ক্লান্ত হৈ এজোপা প্ৰকাণ্ড গছৰ তলত বহিল তেওঁ। তাত বহি বহি এটা আচৰিত ঘটনা দেখি থাকিল। এটা প্ৰকাণ্ড সাপে আন এটা ক্ষুদ্ৰ সাপক গিলি খাবলৈ খেদি খেদি গৈ আছিল। ক্ষুদ্ৰ সাপটোক ৰক্ষা কৰিবলৈ ধীৰসিংহই তৰোৱাল দাঙি ডাঙৰ সাপটোক খেদি গ'ল, আৰু নিমিষতে সেই সাপ দুটাই দুজন গন্ধৰ্বৰ ৰূপ ধাৰণ কৰিলে।

অবাক হৈ ধীৰসিংহই গন্ধৰ্ব দুজনক সুধিলে, "তোমালোক কোন? কিয় ইজনে সিজনক গিলি খাবলৈ চেষ্টা কৰিছিলা?"

সৰুজন গন্ধৰ্বই ক'লে, "মই সৰুটি হৈ থাকোঁতে তেওঁৰ এটা ডাঙৰ অপকাৰ—একো নুবুজি-নাজানি অৰ্থাৎ নিজৰ অজ্ঞাতে অজ্ঞতাৰে কৰি পেলাইছিলোঁ। তেতিয়াৰে-পৰাই তেওঁ মোৰ কিবা-নহয়-কিবা অপকাৰ কৰিবলৈ চেষ্টা কৰে।"

এই কথা শুনি ধীৰসিংহই ক'লে, "নাজানি-নুবুজি অন্যায় কৰিলে ক্ষমা কৰিব লাগে। মনৰ খং-ৰাগ মচি পেলাব লাগে।"

ধীৰসিংহৰ কথাত ভাল পাই গন্ধৰ্ব দুজনে ধীৰসিংহক ক'লে, "তুমি আমাৰ বিৰোধ নিস্পত্তি কৰি দিয়াত আমি বৰ ভাল পাইছোঁ। এতিয়া—আমি তোমাৰ কাৰণে কি কৰিব পাৰোঁ কোৱাঁ।"

ধীৰসিংহই শিয়ালহালক কোৱাৰ দৰেই গন্ধৰ্বদ্বয়কো সুলোচনাৰ সকলো কথা সবিস্তাৰে ক'লে।

তেতিয়া গন্ধৰ্বদ্বয়ে ধীৰসিংহক ক'লে, "শুনা, ইয়াৰপৰা অলপ দূৰলৈ যোৱাৰ পাছত সোঁফালে এছোৱা বাট দেখা পাবা আৰু সেই বাটেৰে গৈ থাকিবা। তাৰ পাছত তোমাৰ কৰণীয় কি—সেই কথা তুমি নিজেই বুজি পাবা।" এই বুলি কৈয়েই সেই গন্ধৰ্বদ্বয় তাৰপৰা অদৃশ্য হ'ল।

গন্ধৰ্বদ্বয়ে কৈ দিয়া বাটেৰে গৈ গৈ

ক্লান্ত হৈ ধীৰসিংহই জিৰণি ল'বৰ মনেৰে এচটা শিলৰ ওপৰত বহি দিলে। অলপ পাছত, বিৰাট সৰোবৰ এটাৰপৰা এজনী মৎস্যকন্যা ওলাই আহিল আৰু ৰাজকোঁৱৰ ধীৰসিংহক হাতত ধৰি ফুলি থকা ফুলৰ এখন উদ্যানলৈ লৈ গ'ল।

এই উদ্যানৰ সোঁমাজত আছিল এটি সুৰম্য-সুন্দৰ অট্টালিকা। সেই সুন্দৰী মৎস্যকন্যাই ধীৰসিংহক সেই সুৰম্য-সুন্দৰ অট্টালিকাৰ ভিতৰলৈ লৈ গ'ল।

অট্টালিকাৰ ভিতৰত আছিল নৰৰত্ন-খচিত সিংহাসন। এটা কক্ষৰ চাৰিও দেৱালত আছিল চাৰিগৰাকী অপৰূপ সুন্দৰী নাৰীৰ চিত্ৰ। চাওঁতে চাওঁতে সেই মৎস্য-কন্যাজনীও চিত্ৰলৈ ৰূপান্তৰিত হ'ল।

এনেবোৰ নোহোৱা-নোপজা কথা-কাণ্ডবোৰ দেখি-শুনি ৰাজকোঁৱৰ বিস্মিত আৰু লগতে কিঞ্চিত ভীতও হৈ উঠিল।

আৰু তেওঁ তৎক্ষণাৎ অট্টালিকাৰপৰা সাউতকৰে ওলাই বাহিৰলৈ আহিল।

কিন্তু—বেলিয়ে লাহ দিয়াৰ পাছত ধীৰসিংহ পুনৰ অট্টালিকাৰ ভিতৰলৈ গ'ল। লগে লগে চাকি জ্বলি উঠিল, আৰু কক্ষৰ দেৱালত থকা মৎস্যকন্যাজনীৰে সৈতে আন চাৰিওখন চিত্ৰত থকাকেইজনীও জীৱন্ত মানুহলৈ ৰূপান্তৰিত হৈ কক্ষৰ ভিতৰত নৃত্য কৰিবলৈ ধৰিলে।

ওৰে ৰাতি নৃত্য-গীত চলি থাকিল।



কিন্তু ৰাতি পুউৱাৰ লগে লগে আটাই-কেইজনীয়েই আকৌ সেই কক্ষৰ দেৱালত চিত্ৰ হৈ গ'ল।

গোটেই ঘটনাটোৱেই যুৱৰাজ ধীৰ-সিংহৰ মনত বিস্ময়ৰ ঢৌ তুলিলে। তেওঁ এই আচৰিত-আসৰিশ ঘটনাৰ কোনো ব্যাখ্যা কৰিব নোৱাৰিলে।

হঠাৎ ধীৰসিংহই লক্ষ্য কৰিলে যে—কক্ষৰ দেৱালত থকা এটা বিন্ধাৰপৰা অসংখ্য পৰুৱা ওলাব ধৰিছে। লগে লগে একো নভৰাকৈয়েই—ধীৰসিংহই দেৱাল-খনক ভাঙি পেলালে।

দেৱালখন ভঙাৰ লগে লগে ধীৰসিংহই তাত এপাত চাবি দেখা পালে। সেই চাবি-পাতেৰে এই অট্টালিকাৰ বিভিন্ন কক্ষ খুলিবলৈ চেষ্টা কৰি চালে তেওঁ; কিন্তু এটা কক্ষও খোলা নগ'ল। তাৰ পাছত—বহু চেষ্টাৰ ফলত এটা কক্ষৰ দুৱাৰ এপাত চাবিৰে খুলিব পৰা হ'ল।

এই কক্ষটোৰ ভিতৰত এটা চন্দুক আছিল; কিন্তু চন্দুকটোৰ চাবিপাত বহু বিচাৰিও নাপালে তেওঁ। হতাশ হৈ ধীৰসিংহই কক্ষটোৰ ভিতৰত পাইচাৰি কৰি থাকিল, আৰু এক বিশেষ ঠাইত ভৰি এখন পৰাৰ লগে লগে হঠাৎ সেই চন্দুকটো খোল খাই পৰিল। এই চন্দুকটোৰ ভিতৰত ধীৰসিংহই এখন বিৰাট তামৰ ফলি দেখা পালে।

তামৰ ফলিখনত লিখা আছিল: 'এইবোৰ মায়া। এই উদ্যানৰ সোঁমাজত এজোপা সোণৰ বৃক্ষ আছে। এই স্বৰ্ণবৃক্ষৰ আচল ৰহস্য ধীৰ নামৰ মানুহ এজনে বিচাৰি উলিয়াব পাৰিব'।

এই তামৰ ফলিখনত এই কথাখিনি পঢ়াৰ অন্তত অত্যন্ত উৎসাহৰে ধীৰসিংহ উদ্যানলৈ গ'ল। তামৰ ফলিত লিখি থোৱামতে এজোপা সোণৰ বৃক্ষ সেই ফুলি থকা ফুলৰ উদ্যানৰ সোঁমাজত ধীৰসিংহই দেখা পালে।

কিন্তু বহু চেষ্টা কৰিও সেই সোণৰ

গছজোপাক ৰাজকোঁৱৰ ধীৰসিংহই অলপো লৰাব নোৱাৰিলে।

ধীৰসিংহই লক্ষ্য কৰিলে—তাত আৰু এজোপা সোণৰ গছপুলিও আছে। এই সোণৰ গছপুলি জোপাক ধীৰসিংহই তৎক্ষণাৎ উঘালি পেলালে।

আৰু তৎমুহূৰ্তেই ডাঙৰ স্বৰ্ণবৃক্ষজোপা শিপাৰে সৈতে হুৰমুৰকৈ বাগৰি পৰিল। বিৰাট গছজোপা পৰাৰ শব্দত ধীৰসিংহ মূৰ্ছিত হ'ল। বহু সময়ৰ অন্তত তেওঁৰ চেতনা ঘূৰি আহিল। চেতনা ঘূৰাই পোৱাৰ পাছত ধীৰসিংহই দেখা পালে যে—তাত উদ্যানো নাই, আৰু অট্টালিকাও নাই।

কিন্তু ৰাতিৰ পৰতে নৃত্য-গীত কৰি থকাকেইজনীক ধীৰসিংহই তেওঁৰ ওচৰে-পাঁজৰে অতি বিচিত্ৰভাৱে নাচি নাচি ঘূৰি ফুৰা দেখা পালে।

"তোমালোক—কোন? এইবোৰ—কি বাৰু? এইবোৰ কি হৈছে? এইবোৰ কি ইন্দ্ৰজাল?" আচৰিত হৈ পৰা ধীৰসিংহই সেই অদ্ভুত আশ্চৰ্য্য ছোৱালীকেইজনীক সুধিলে।

"আমি হ'লোঁ মায়াৱতী নগৰৰ ৰাজকুঁৱৰী। সেই নগৰ ইয়াৰপৰা দহ যোজন নিলগ। আমি বিবাহযোগ্যা হোৱাত আমাৰ দেউতাই আমাক এই অট্টালিকাত থৈ দিছে। আমি ইয়াত প্ৰায় বন্দী। আমাৰ দেউতাই আমাক এই কথা কৈছে

যে—যিজনে আমাক ইয়াৰপৰা উদ্ধাৰ কৰিব — তেৱেঁই হ'ব আমাৰ পতি। বহুকাল ধৰি আমি ইয়াত বন্দী হৈ আছোঁ। আমাক আপুনি বিবাহ কৰিবনে?" ছোৱালীকেইজনীয়ে ৰাজ-কোঁৱৰ ধীৰসিংহক সুধিলে।

"মই এক জটিল সমস্যাত সাঙোৰ খাই পৰিছোঁ। এই বিষয়ে এতিয়াই একো ক'ব বা কৰিব নোৱাৰিম বুলি দুঃখিত। মই নিৰুপায়।" ধীৰসিংহই ক'লে আৰু আৰু লগে লগে সেই বিচিত্ৰ অট্টালিকাৰ-পৰা ওলাই যাবলৈ খোজ ল'লে।

কেইখোজমান যোৱাৰ পাছত ধীৰ-সিংহৰ কাণত পৰিল ছোৱালীকেইজনীৰ কথা: এওঁক আকৌ এবাৰ আনধৰণে পৰীক্ষা কৰি চাওঁহঁক!"

কিন্তু ধীৰসিংহ তাত নৰ'ল। অলপ দূৰ যোৱাৰ পাছত এজোপা গছৰ তলত এজন খীণ-মিন ৰাজকোঁৱৰক বহি থকা দেখা পাই ধীৰসিংহই সুধিলে, "তুমিনো কোন? ইয়াত বহি আছা কিয়?"

"এই ঠাইৰ অনতিদূৰতে থকা মায়া-মন্দিৰ তথা জাদু-অট্টালিকাত কেইজনীমান ৰাজকুঁৱৰী আছে। তাৰ মাজত এজনীক মই বিয়া কৰাব খুজিছিলোঁ। কিন্তু মই তাইক আৰু ক'তো-কেনিও দেখা নাপালোঁ।" খীণ-মিন ৰাজকোঁৱৰে ধীৰসিংহক ক'লে।

ধীৰসিংহই এওঁক সেই অট্টালিকালৈ লৈ গ'ল আৰু তাৰ মনে-খোজা সেইজনীৰ সৈতে বিবাহৰ ব্যৱস্থা কৰিলে।

আৰু তাৰ পাছত কৌশাম্বীলৈ উভতি গৈ ধীৰসিংহই ৰাজকুঁৱৰী সুলোচনাক সকলো কথা বিস্তাৰিতভাৱে ক'লে।

সকলো কথা শুনাৰ অন্তত সুলোচনাই ক'লে, "মোৰ প্ৰথম প্ৰশ্নৰ উত্তৰ মই পালোঁ, আৰু তাৰ বাবে আপোনাৰ মই শলাগ লৈছোঁ। মই মোৰ দ্বিতীয় প্ৰশ্ন কালিলৈ আপোনাক ক'ম।" [আগলৈ

পৰাক্ৰম আৰু প্ৰতিজ্ঞা

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, অৱস্থা বিশেষে আনকি অতি নীতিৱান লোকসকলেও কেতিয়াবা কেতিয়াবা স্বাৰ্থপতাৰমূলক আচৰণ কৰে, পৱিত্ৰ প্ৰতিজ্ঞা ভংগ কৰে। মোৰ এই মন্তব্যৰ প্ৰমাণস্বৰূপে তোমাক মই বজ্ৰদেৱৰ কাহিনী ক'ম। এই কাহিনীয়ে তোমাক আন একো দিব নোৱাৰিলেও সুস্থভাৱে তোমাৰ মনত অন্য চিন্তাৰ সমল যোগাব আৰু তোমাৰ অভাৱিত পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ কৰিব।" এই বুলি কৈ বেতালে সেই কাহিনী ক'বলৈ ধৰিলে :

'বেতাল-কথা'

সিন্দুৰদেশৰ ৰজা সিংহভূপালদেৱৰ একমাত্ৰ জীয়েক সুচিত্ৰিতাৰ কাৰণে বিবাহৰ পাত্ৰ বিচাৰি ৰজা ভূপালে তেওঁৰ সুযোগ্য দূতসকলৰ যোগেদি বিভিন্ন দেশৰ ৰাজন্য-বৰ্গলৈ পত্ৰ প্ৰেৰণ কৰিবলৈ ধৰিলে আৰু ব্যক্তিগতভাৱেও বহুতকে বহু বহু ঠাইলৈ পঠালে।

ৰূপৱতী সুচিত্ৰিতাৰ মনৰ ইচ্ছা, যোগ্য তথা প্ৰকৃত পৰাক্ৰমশালী কাৰোবাক জীৱন-লগৰী ৰূপে বৰণ কৰি ল'ব, যিজনে প্ৰয়োজন হ'লে দেশৰ শাসনভাৰ চলাব পাৰিব।

সিংহভূপালৰ মহামন্ত্ৰী ভানুবৰ্মাৰ পুত্ৰ চন্দ্ৰবৰ্মা আছিল অতি ভীৰু আৰু অলস-অযোগ্য-অপদাৰ্থ। কিন্তু মহামন্ত্ৰী আছিল অতি কৌশলী, কূট আৰু স্বাৰ্থপৰ। মন্ত্ৰীপুত্ৰ চন্দ্ৰবৰ্মা অযোগ্য-অপদাৰ্থ হ'লে কি হ'ব—বহুদিনৰেপৰাই ৰাজকুঁৱৰী সুচিত্ৰিতাক বিয়া কৰাবৰ তাৰ বৰ মন। সি ঢেৰ আকাশ-পাতাল ভাবি ভাবি এদিন ৰাজকুঁৱৰী সুচিত্ৰিতাক বিয়া কৰাব বুলি তাৰ দেউতাকক কৈ দিলে।

দেউতাকে বিৰক্তিৰে ক'লে, "এইবোৰ খুৱে কাটি শনি চপোৱা বিধৰ কথা চিন্তা কৰি লাভ নাই। সুচিত্ৰিতাই পৰাক্ৰমশালী কাৰোবাক বিয়া কৰাব বুলি কৈ থৈছেই। তোৰ দেখোন তৰোৱাল এখনত হাত দিলেও তালু ফুটি জীউ যাব! তইনো কেনেকৈ' তাইক বিয়া কৰাব অ'?"

চন্দ্ৰই ক'লে, "দেউতা, মই তো কথাটো আক-তাক কোৱা নাই নহয়? কৈছোঁ তোমাকহে। তোমাৰ বুদ্ধিক হৰুৱাব পৰা আছেনো কোন? তোমাৰ কৌশলৰ আগত তিষ্ঠিবনো কোন? এনেকুৱা কিবা এটা কৰা—যাতে ৰাইজে মোক বীৰ বুলি কোৱাকুই কৰে। তাৰ পাছত দেখা যাব—গৰীয়াৰ প'লত কাছ পৰেনে নপৰে।"

পুতেকৰ কথাষাৰ ভাবি চাই পিতেকে ক'লে, "চোৱা, ৰটনাৰ আঁৰত ঘটনাও

তো এটা থাকিব লাগে। গতিকে—মনৰ ইচ্ছা পূৰণ কৰিবা যদি—কাম এটা কৰিব লাগিব। অলপ সাহস-পিত বুকুত বান্ধি—আমাৰ পূবদিশীয়া গাঁৱলৈ যাব লাগিব—যিখন গাঁৱত প্ৰায় প্ৰতিদিন ৰাতিৰ পৰতে এজনকৈ মানুহ বাঘে নিয়ে। সেই বাঘটোক যদি কিবা কৰি মাৰি পেলাব পাৰা — সুচিত্ৰিতা-বিচিত্ৰিতা-ছুশ্চিত্ৰিতা সকলোকে বিয়া কৰাব পাৰিবা।”

চেপত পৰা চন্দ্ৰই চাঙিত উঠা যেন হৈ বহাৰপৰা থিয় দিলে আৰু বাঘৰ বুকুলৈ যোৱা যেন হৈও বাঘে পোৱালি পোৱা হাবিৰ কাষ পালেগৈ। আৰু ঠিক তেতিয়াই বেছ ওখ-পাখ শকত-আৱত মানুহ এজনে মৰা বাঘ এটাক পথালিকৈ কান্ধত পেলাই লৈ সেই অটব্য হাবিৰ-পৰা ওলাই আহিল।

দেখি ঢেলুকা-ঢেলুক হোৱা চকুৰে চাই চন্দ্ৰই সেই মানুহজনক সুধিলে, “এ হৰি — এইটোৱেই সেই মানুহখোৱা বাঘটোনে? তোমাৰ হাতত দেখোন কোন যাঠি-জোং বৰছা-তৰোৱাল একো নাই। এইটোক মাৰিলানো কেনেকৈ?”

মানুহজনে হাঁহি মাৰি ক’লে, “মোৰ নাম বজ্ৰদেৱ। মই ধৰলগিৰিৰ সৈন্য-বাহিনীত কাম কৰি আছিলোঁ। ধোদ আৰু ডবপুকইঁতক মই ঘিণ কৰোঁ। কালি মই বুজি পালোঁ যে আমাৰ সৈন্যবাহিনীৰ সেনাপতিটো এটা ধোদ আৰু ডৰপুক্। সেই দেখি—তাক এৰি গুচি আহিলোঁ। ধোদৰ তলতীয়া হৈ কাম কৰি জীয়াই থকাতকৈ মৰণো ভাল। এই হাবিৰ কাষেদি গৈ থাকোঁতেই বাঘটো ওলাল আৰু মোক খাবলৈ জঁপ মাৰি দিলে। তাৰ পাছততো দেখিছাই — তাক মই ভুকুৱায়েই ভঠেলি ভাঙিলোঁ।”

লগে লগে চন্দ্ৰবৰ্মাই বজ্ৰদেৱৰ ভৰিত পৰি ক’লে, “হেৰি শুনিবনে অলপ? মোৰ হাতত তৰোৱাল আছে—যদিও এই

তৰোৱালেৰে বাঘৰ কথাই নুঠে—বিৰালী এটাকো মই মাৰিব নোৱাৰিম। আপুনি যদি এই মৰা বাঘটোক মোক উপহাৰ হিচাপে দিয়ে—তেনেহ'লে দেশৰ ৰজাক দেখুৱাই—মই মোৰ জীৱনৰ এটা ডাঙৰ ইচ্ছা পূৰাব পাৰোঁ। আপোনাৰ ভৰিত ধৰি কৈছোঁ—মোক বিমুখ নকৰিব।”

বজ্ৰদেৱে চন্দ্ৰবৰ্মালৈ ঘৃণাৰ দৃষ্টিৰে চাই থাকিল আৰু তাৰ পাছত মৃত বাঘটোক কান্ধৰপৰা দলিয়াই পেলাই তাৰপৰা গুচি গ'ল।

তেতিয়াই এই মৰা বাঘটোক ৰজাৰ ওচৰলৈ লৈ গৈ চন্দ্ৰই ৰজাক ক'লে, “মহাৰাজ! মই এই বাঘটোক বধ কৰিলোঁ। এতিয়া আপুনিয়েই কওক — মোতোকৈ পৰাক্ৰমী ক'ৰবাত কোনোবা ওলাবনে?”

ৰজাই তেওঁৰ নিজৰ আঙুলিৰপৰা মুকুতাৰ আঙঠি এটা সোলোকাই লৈ চন্দ্ৰবৰ্মাক পিন্ধালে আৰু ক'লে, “বাঘ মাৰিলেই যদি সৰ্বশ্ৰেষ্ঠ পৰাক্ৰমী হয়—তেনেহ'লে ভয়ংকৰ ৰাক্ষস বধ কৰিলে বা দেশ জয় কৰিলে—তেওঁলোকক বাৰু কি বুলি ক'ম?”

ৰজাৰ কথাত চন্দ্ৰ চেঁচেৰা পৰিল।

তাৰ পাছত—ঘৰলৈ উভতি আহি চন্দ্ৰই তাৰ দেউতাকক এইবোৰ সাত-পাঁচ সকলো কথা বুজাই ক'লে।

শুনি দেউতাকে ক'লে, “তুমি অনতি-পলমে বজ্ৰদেৱৰ গতি-বিধিৰ ওপৰত চোকা চকু ৰাখিবলৈ চোৰাংচোৱা লগাই দিয়া। একদম পলম নকৰা। নহ'লে কিন্তু তুমি সুচিত্ৰিতাক একেপধ্যে নোপোৱা।”

চন্দ্ৰই তাৰ দেউতাকৰ কথা মতে কাম কৰিলে।

এদিন বজ্ৰদেৱে এটা পাহাৰৰ কাষেদি গৈ থাকোঁতে সেই পাহাৰৰ এটা গুহাৰপৰা কোনোবাই গম্ভীৰ কণ্ঠেৰে কৈ উঠিল: “কোন—? কোন তই? মোৰ কথা শুন, ইয়াতে ৰ, ৰৈ দে। মোৰ কথা শুনা

আদেশ নামানি যদি এখোজ দিছ তেনেহ'লে মৰিছ !"

আৰু লগে লগে গুহাৰপৰা গজবল নামৰ ৰাক্ষস এটা ওলাই আহিল।

ৰাক্ষসটোৰ হাতত অস্ত্র আছিল। বজ্রদেৱে ৰাক্ষসটোৰ হাতৰপৰা সেই অস্ত্র কাঢ়ি ল'লে আৰু ৰাক্ষসটোৰ হাত কাটি পেলাই তাৰ চকু দুটা উপাৰি লৈ সেই ঠাই এৰি দ্রুত গতিৰে গুচি গ'ল।

চন্দ্রৰ চোৰাংচোৰাই এই ঘটনাৰ কথা ক'লেগৈ। লগে লগে মহামন্ত্রীয়ে চন্দ্রক ৰজাৰ ওচৰলৈ যাবলৈ ক'লে আৰু কি কি ক'ব লাগিব শিকাই দিলে।

চন্দ্রই ৰজাক ক'লেগৈ, "মহাৰাজ ! মই অকলেই সেই গজবল ৰাক্ষসক পৰাজিত কৰিলোঁ। তাৰ হাত কাটি পেলালোঁ, চকু উপাৰি পেলালোঁ। আশা কৰোঁ— এতিয়া আপুনি মোক পৰাক্রমী হিচাপে গণ্য কৰিব।"

চন্দ্রৰ কথাৰ উত্তৰত ৰজাই ক'লে, "তোমাৰ বক্তব্য মানি লোৱাত টান পাইছোঁ। তুমি এবাৰ আমাৰ লগত চিকাৰলৈ ওলাই ভালুকৰ ভয়তে গছত উঠিছিলাগৈ। গতিকে—পৰীক্ষা নকৰাকৈ তোমাৰ কথা মানি লোৱা টান। তুমি কেইটামান দিন অপেক্ষা কৰাঁ।"

ৰজাৰ নির্দেশমতে ৰজাৰ চোৰাং-চোৰাইঁতে বজ্রদেৱক বিচাৰি উলিয়াই ৰজাৰ ওচৰলৈ লৈ আহিল। তেতিয়াহে প্রকৃত ঘটনা ৰজাই জানিব পাৰিলে।

আৰু ৰজাই লগে লগে মনস্থিৰ কৰি পেলালে : এই প্রকৃত ৰত্নসম বজ্রদেৱৰ সৈতে জীয়েকৰ বিয়াখন পাতিব লাগিব।

পাছদিনা, পৰিপূর্ণ ৰাজসভাত ৰজাই বিশেষ বিষয়ে ঘোষণা কৰাৰ আগতেই মহামন্ত্রী ভানুবর্মাই কৈ উঠিল, "মহাৰাজ ! আপুনি এই বজ্ৰদেৱৰ সম্পর্কে খৰধৰকৈ কোনো সিদ্ধান্ত গ্রহণ নকৰি — আমাৰ দেশত তাতোকৈ অধিক পৰাক্রমী আন

কোনোবা আছেনে নাই তাৰ পৰীক্ষাৰ বাবে এখন প্ৰতিযোগিতা পাতিব পাৰে।”

প্ৰতিযোগিতা পতা হ'ল। বহুতো প্ৰতিযোগী আহিল, যদিও গজবল ৰাক্ষসক পৰাজিত কৰা বজ্ৰদেৱৰ বিৰুদ্ধে তৰোৱালেৰে যুদ্ধ কৰাত কাৰো দাঁত নহ'ল।

কিন্তু হঠাৎ তৰোৱাল হাতত দাঙি লৈ মন্ত্ৰীপুত্ৰ চন্দ্ৰবৰ্মা বজ্ৰদেৱৰ ওপৰত জঁপিয়াই পৰিল। এই দৃশ্য দেখি ৰজা আৰু ৰাজকুঁৱৰী সুচিত্ৰিতা অতি অবাক হ'ল।

মুহূৰ্তমানৰ বাবে ঘৃণাপূৰ্ণ দৃষ্টিৰে চন্দ্ৰলৈ চাই বজ্ৰদেৱে চন্দ্ৰৰ হাতত থকা তৰোৱাল-খন বিজুলীগতিৰে বহু দূৰলৈ দলিয়াই পেলালে। উপস্থিত লোকসকলে বজ্ৰদেৱৰ নামত জয়ধ্বনি দিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, “হে ৰজা, যিজন বজ্ৰদেৱে ভয়াতুৰ সেনাপতিৰ তলতীয়া হৈ কাম নকৰিব বুলি সৈন্যবাহিনী এৰি আহিল, সেইজন বজ্ৰদেৱে চন্দ্ৰবৰ্মাক একেবাৰে কাপুৰুষ বুলি জানিও কিয় তাৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰিছিল? মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ জানিও যদি নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।”

বেতালৰ কথাৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, “পৰিস্থিতিয়েইহে বজ্ৰদেৱক তাৰ নীতিবোধ তথা তাৰ সম্ভ্ৰমবোধ পাহৰাই পেলাইছিল। চন্দ্ৰবৰ্মাই ভাবিছিল যে বজ্ৰদেৱে যুদ্ধ নকৰি ঘৃণাৰে অস্ত্ৰ দলিয়াই পেলাই গুচি যাবগৈ। বজ্ৰদেৱেও চন্দ্ৰৰ মৰসাহৰ গুৰি এই ৰহস্য বুজি পাইছিল। কিন্তু এটা ভয়াতুৰে ৰাজকুঁৱৰী সুচিত্ৰিতাক যাতে এইদৰে প্ৰৱঞ্চনা কৰিব নোৱাৰে— তাৰ বাবেইহে বজ্ৰদেৱে চন্দ্ৰবৰ্মাৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰিছিল।

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

ভাৱৰী-পকীয়া ভাও

ৰামসাগৰ আছিল শিলালিপি দেশৰ ৰজা বিজয়নাৰায়ণৰ ঘাই কতোৱাল। ৰামসাগৰ কতোৱাল হ'লে কি হ'ব—ৰজাই তাক খাতিৰ কৰিছিল খুব। ৰামসাগৰে কিবা কাৰণত ৰজাক শলাগি দুষাৰ ক'লেই ৰজাৰ যেন কাৰ দিন কাৰ ৰাতি হেন লাগি গৈছিল মনত। ৰজাৰ এই মনোভাৱৰ কথা গম পাই ৰামসাগৰে সুবিধা ওলোৱামাত্ৰেই ৰজাৰ লগভগাইঁতৰ ওচৰত ৰজাক পঞ্চমুখে প্ৰশংসা কৰিছিল।

ৰামসাগৰ আছিল অতি লুভীয়া মানুহ। ৰজাৰ প্ৰিয়পাত্ৰ হোৱাৰ সুবিধা লৈ ৰামসাগৰে সৰু-ডাঙৰ বেপাৰী-বণিজাৰুইঁতক বিভিন্নভাৱে শুহিছিল। কাৰোবাক সুবিধা সুযোগৰ লোভ দেখুৱাই, আকৌ কাৰোবাক ডবিয়াই সি টকা আদায় কৰিছিল। ৰজাৰ কাণতো ৰামসাগৰৰ এইবোৰ ৰাম-ভাৱনাৰ কথা যে পৰাগৈ নাছিল তেনে নহয়, পিছে ৰামসাগৰৰ বেলিকা ৰজা আছিল বৰ দুৰ্বল। ৰামসাগৰক তেওঁ একো নকৈছিল।

এবাৰ দুৰ্গাপূজা উপলক্ষ্যে এখন নাটক মঞ্চস্থ কৰা হ'ল। সেই নাটকত ৰামসাগৰে দিয়া ৰজাৰ ভাও চাই ৰজা বিমুগ্ধ হ'ল।

ৰজাই ৰামসাগৰক সুধিলে, "তুমি বাৰু ইমান বঢ়িয়াকৈ ইমান বাস্তৱ তথা প্ৰঞ্জলকৈ ৰজাৰ ভাও দিলা কেনেকৈ?"

ৰজাৰ প্ৰশ্নৰ উত্তৰত ৰামসাগৰে ক'লে, "মহাৰাজ!" মই আপোনাৰ চলন-ফুৰণ, কহন-ৰহন অনুসৰণ কৰিয়েই এই সাফল্য আৰ্জিলোঁ। এইবোৰ আপোনাৰেই দান। মোৰ সাফল্য আপোনাৰেই অৱদান, মহাৰাজ!" ৰামসাগৰৰ এই কথাত অতি

কুঞ্জ কলিতা

আনন্দিত হৈ ৰজাই নিজৰ ডিঙিৰ মূল্যৱান মালাধাৰ ৰামসাগৰৰ ডিঙিত পিন্ধাই দিলে।

ৰজাৰ মুখ্যমন্ত্ৰী কাষতে থিয় হৈ আছিল। মুখ্যমন্ত্ৰীয়েই আঁৰৰ সকলো কথা জানিছিল। তথাপি তেওঁ নিমাতে থাকিল।

পাছদিনা আন এখন নাটক মঞ্চস্থ হ'ল। এইখন নাটকত ৰামসাগৰে এটা চোৰৰ ভাও দিলে। অভিনয়ৰ অন্তত ৰজাই ৰামসাগৰক সুধিলে, "হেৰাহে ৰামসাগৰ, চোৰৰ ভাও ইমান নিখুঁতভাৱে দিলানো কেনেকৈ? চোৰৰ ভাও ৰজাৰ ভাৰতকৈয়ো ঢেৰ ভাল হ'ল দেখোন!"

ৰামসাগৰে এই কথাৰ উত্তৰ দিয়াৰ সলনি মূৰ খজুৱাই থাকিল।

তেতিয়া মুখ্যমন্ত্ৰীয়ে ৰজাক ক'লে, "মহাৰাজ, কালি আপুনি ৰামসাগক 'ৰজাৰ ভাও কেনেকৈনো ইমান ধুনীয়াকৈ দিলা' বুলি সোধাত ৰামসাগৰে আপোনাৰ চলন-ফুৰণ কহন-বহন অনুসৰণ কৰিয়েই ৰজাৰ ভাৰত ইমান সাফল্য আৰ্জিব পৰা হ'ল বুলি কৈছিল। কথাষাৰ নিশ্চয় আপোনাৰ মনত আছে। ৰামসাগৰৰ সেই কথাখিনি মিছা নাছিল যদি, সঁচাকৈয়েই কৈছিল যদি, তেনেহ'লে তাৰ এই চোৰৰ ভাও দিয়াৰ তাতোকৈ অধিক সাফল্যৰ গুৰিত নিশ্চয় কোনোবা চোৰৰ অৱদান আছে। ৰজাৰ ভূমিকাৰ গুৰিত যদি ৰজাৰ অৱদান, চোৰৰ ভূমিকাৰ গুৰিত কিয় চোৰৰ অৱদান নাথাকিব? মানে—আপোনাৰ লগত ৰামসাগৰৰ যেনেকৈ হৰিল-গৰিল আছে, চোৰবিলাকৰ লগতো তেনেকৈ হৰিল-গৰিল নিশ্চয় আছে তাৰ।"

মুখ্যমন্ত্ৰীৰ কথা শুনি ৰজাই ৰামসাগৰলৈ তীব্ৰ দৃষ্টিৰে চালে। ৰামসাগৰ তলমূৰ হৈ নিমাতে থিয় হৈ থাকিল। ৰজাই প্ৰহৰীহঁতক ইংগিত কৰিলে। ৰামসাগৰক তৎক্ষণাৎ লোকৰপৰা জুলুম কৰি টকা সৰকোৱাৰ অপৰাধত বন্দী কৰা হ'ল।

জ্ঞান ভাণ্ডাৰ

ঐতিহাসিক ব্যক্তিত্ব

শ্ৰীচৈতন্য

শ্ৰীচৈতন্যদেৱ শ্ৰীগৌৰাংগ নামেৰেও জনাজাত। ১৪৮৬ চনত, বংগদেশৰ নৱদ্বীপত তেওঁ জন্মগ্ৰহণ কৰিছিল। তেওঁৰ আছিল অগাধ পাণ্ডিত্য, কিন্তু মাত্ৰ চৌবিছ বছৰ বয়সত গৃহত্যাগ কৰি তেওঁ সন্ন্যাসী হৈ গ'ল। তেওঁ বৃন্দাৱন আৰু অন্যান্য ঠাইলৈকো কৃষ্ণপ্ৰেম প্ৰচাৰ কৰিবলৈ তথা হাজাৰ-বিজাৰ মানুহক কৃষ্ণপ্ৰেমেৰে উদ্বুদ্ধ কৰিবলৈ গৈছিল। তেওঁ তেওঁৰ জীৱনকালৰ অধিকভাগ মহাপ্ৰভু জগন্নাথদেৱৰ পবিত্ৰ ভূমিত অতিবাহিত কৰিছিল। শ্ৰীচৈতন্যদেৱে ধৰ্মীয় আৰু জাতপাতৰ প্ৰভেদত বিশ্বাসী নাছিল। উড়িষ্যাৰ ৰজা প্ৰতাপৰুদ্ৰদেৱ আছিল সন্ত শ্ৰীচৈতন্যদেৱৰ পৰম ভক্ত।

বৈষ্ণৱধৰ্মৰ প্ৰচাৰৰ অন্তত, আঠ চলিছ বছৰ বয়সত ৰহস্যজনকভাৱে তেওঁ অন্তৰ্হিত হ'ল।

তেওঁ কোন ?

কেইজনমান ল'ৰাই নৈত স্নান কৰি থাকোঁতে এটা ল'ৰাই হঠাৎ আৰ্তনাদ কৰি উঠিল, "মোৰ ভৰিত কুম্ভীৰে কামুৰি ধৰিলে!"

নৈৰ পাৰত থকা দুজন ল'ৰাই এই ল'ৰাটোৰ মাকৰ ওচৰলৈ লৰি গ'ল আৰু ঘটনাৰ কথা ক'লে। ভীতা মাক তৎক্ষণাৎ দৌৰি আহিল।

"মা, তুমি যদি মোক ঈশ্বৰলৈ উছৰ্গা কৰা, তেহে মই ৰক্ষা পৰিব পাৰোঁ। মোক উছৰ্গা কৰিবানে?" কুম্ভীৰে কামুৰি ধৰি থকা ল'ৰাটোৱে তাৰ মাকক ক'লে।

মাকে চিঞৰি কৈ উঠিল, "বাছা, মই তোমাক ঈশ্বৰলৈ উছৰ্গা কৰিলোঁ!"

সেই মুহূৰ্ততে কুম্ভীৰটোৱে ল'ৰাজনক এৰি দিলে আৰু ল'ৰাজন সাঁতুৰি নৈৰ পাৰলৈ উঠি আহিল।

এই ল'ৰাজন কোন আছিল?

[উত্তৰ : ৮ পৃষ্ঠাত

বিজ্ঞানৰ আনন্দ

কেনেকৈ কি কৰিব লাগিব ঃ

খাজে-খোপে কাপ খাই ধৰা ডাঙৰ পাত্ৰ এটা লোৱা। পাত্ৰটোৰ তলৰ ঠিক মাজত আৰু ঢাকনিখনৰো মাজ ভাগত এটাকৈ বিন্ধা কৰা। তাৰ পাছত এডোখৰ দীঘল ৰবৰৰ গোটা টুকুৰা পাত্ৰৰ আৰু ঢাকনিৰ বিন্ধাৰ মাজত সুমুৱাই দুয়ো মূৰে ভালকৈ বান্ধা।

মুয়ো মূৰ বন্ধাৰ আগতে, বন্ধা জৰীৰ গুণাৰ এমূৰে এটা ভৰ (ওজনৰ কিবা এটা) ওলমি থাকিব পৰাকৈ পৰাকৈ ধাতৱ নট্ বা চিপৰ নলী এডাল পাত্ৰত সুমুৱাই দিয়া (চিত্ৰত দেখুৱা দৰে) পাত্ৰটো বাগৰি থাকোঁতেই ওজনৰ বা ভৰৰ বস্তুটো চুঁচৰি নাযায় যেন চাবা।



ৰহস্যজনক পাত্ৰ

কি আৰু কিয় হয় ঃ

পাত্ৰটো অলপমান বাগৰি যাব, ৰ'ব, আৰু তাৰ পাছত পিছলৈ বাগৰ সলাব। এমূৰত ওলমি থকা ওজন বা ভৰেৰে বায়ু সৃষ্টি হোৱা কাৰণেহে এনেকুৱা ঘটে। যেতিয়া পাত্ৰটো বৈ দিয়ে, তেতিয়া সেই ওজন বা ভৰে জৰীক বায়ুমুক্ত কৰিবলৈ নিম্নমুখী শক্তি প্ৰয়োগ কৰে, আৰু তাৰ কাৰণেহে পাত্ৰটো পিছলৈ বাগৰ লয়। এইবোৰ-সলোৱা 'ৰহস্যজনক পাত্ৰ'ই কিয় কেনেকৈ কি ঘটিছে— সেই কথাৰ ভু ধৰিব নোৱৰাক বিভ্ৰান্ত কৰিব। তোমাৰ বন্ধু এজনক দেখুৱাবাচোন?

তুমি তোমাৰ হাতৰ ওপৰত বাৰে বাৰে পাত্ৰটোক বগৰাই তাৰ পাছত তোমাৰপৰা গুচি যাব পৰাকৈ তললৈ এৰি দিব পাৰানে? চেষ্টা কৰি চোৱাচোন!

অতি কম ওজনৰ ঘূৰণীয়া, কাগজ, বিলাতী ষ'ধানৰ বাকচ এটাই পাত্ৰতকৈও অধিক ভালকৈ এই ৰহস্য সৃষ্টি কৰিব পাৰিবনে? পাত্ৰটো কম ওজনৰ হ'লে ভৰও দেখোন কম হ'ব লাগে!

অবাক পৃথিৱীৰ আচৰিত বস্তু

গ্ৰিকসকলৰ দেৱতা জিউছৰ প্ৰতিমূৰ্তি

খৃষ্টপূৰ্বপঞ্চম শতিকা আছিল গ্ৰিছদেশৰ স্বৰ্ণযুগ। সেই কালত, মহান দেশপ্ৰেমী পেৰিক্লেছ আছিল গ্ৰিছদেশৰ নিয়ন্তা।

গ্ৰিছদেশৰ সৰ্বশ্ৰেষ্ঠ ভাস্কৰ ফিদিয়াছ এইকালৰ মানুহ। ভাস্কৰ ফিদিয়াছৰ প্ৰথম উল্লেখযোগ্য ভাস্কৰ্য্য আছিল গ্ৰিছৰ দেৱী আথেনাৰ মূৰ্তি। আথেনাৰ এই মূৰ্তি আছিল ৪০ ফুট উচ্চ, আৰু হাতীৰ দাঁত আৰু সোণেৰে বনোৱা। আথেন্স নগৰীৰ সোঁমাজত থকা পাহাৰৰ ওপৰত পাৰ্থেনান নামৰ বিখ্যাত মন্দিৰক এই মূৰ্তিৰে অলংকৃত কৰা হৈছিল।

ফিদিয়াছৰ পৰৱৰ্তী আৰু সৰ্বশ্ৰেষ্ঠ ভাস্কৰ্য্য আছিল হাতীৰ দাঁত আৰু সোণেৰে নিৰ্মিত জিউছৰ মূৰ্তি। এই মূৰ্তি অলিম্পিয়াৰ মন্দিৰক অলংকৃত কৰাৰ কাৰণে সজা হৈছিল। জিউছৰ এই মূৰ্তি আছিল এজন বেছ ওখ-পাখ মানুহৰ তুলনাত সাতগুণ অধিক ওখ। জিউছৰ এই মূৰ্তি আছিল হৃদয়গ্ৰাহী আকৰ্ষণীয় মূৰ্তি। জিউছৰ এই মূৰ্তিক প্ৰাচীনকালত জগতৰ সপ্তমাশ্চৰ্যাৰ অন্যতম আশ্চৰ্য্য তথা মহৎ শিল্পকৰ্ম বুলি অভিহিত কৰা হৈছিল।

পৃথিৱীৰ গুৰুত্বপূৰ্ণ ঘটনাৱলী

কাৰ্থেজৰ বিনাশ

খ্ৰিষ্টৰ জন্মৰ তিনিশ বছৰৰ আগতে ছিৰিয়াৰ সমুদ্ৰতীৰস্থ বসবাসকাৰী ফোদেশীয় নামৰ লোকসকলে এখন জাকজমকীয়া নগৰ সাজি উলিয়াইছিল। এই নগৰখনেই আছিল কাৰ্থেজ নগৰী।

এই নগৰৰপৰা বহু নিলগত, গঢ় লৈ উঠিছিল ৰোম নগৰী। দুয়োখন নগৰ পৰস্পৰৰ প্ৰতিদ্বন্দী হৈ উঠিছিল। আৰু সময়ৰ লগে লগে দুয়োখন নগৰৰ ম'জত যুদ্ধ লাগি পৰিল। ইতিহাসত এই যুদ্ধক 'পিউনিক যুদ্ধ' অৰ্থাৎ 'বিশ্বাসঘাতী যুদ্ধ বা কাৰ্থেজ-সম্বন্ধীয় যুদ্ধ' বুলি অভিহিত কৰা হৈছিল।

প্ৰথম 'পিউনিক' যুদ্ধত কাৰ্থেজ পৰাজিত হৈছিল। কিছুদিনৰ অন্তত, কাৰ্থেজে হানিবল নামৰ এক নিষ্ঠুৰ-নিৰ্মম সেনাপতিৰ অধীনত ৰোমলৈ এক বিৰাট সৈন্যবাহিনী প্ৰেৰণ কৰিলে আৰু হানিবলে ৰোমৰ নব্বৈ সহস্ৰ নাৰী-পুৰুষক সুপৰিকল্পিতভাৱে হত্যা কৰিলে। হানিবলে কিছু কাললৈ ৰোমৰ একনায়ক হৈ থাকিল।

কিন্তু কাৰ্থেজীয় কৰ্তৃপক্ষই হানিবললৈ কোনো বস্তু নপঠোৱা হ'ল। কিছু দিনৰ পাছত তেওঁ এই কথা ভাবি পুনৰ কাৰ্থেজলৈ প্ৰত্যাৱৰ্তন কৰিলে যে—তেওঁ নিশ্চয় কাৰ্থেজবাসীৰপৰা বীৰোচিত

সম্বৰ্ধনা পাব। কিন্তু যিকোনো কাৰণতেই নহওক, তেওঁৰ এই আশা পূৰ্ণ ন'হল। কাৰ্থেজবাসীৰ এই আচৰণৰ ফলত তেওঁ আত্মঘাতী হ'ল।

কিছুদিনৰ অন্তত, ৰোমীয় সেনাপতি ছিপিঅ'ই কাৰ্থেজ আক্ৰমণ কৰি অবৰোধ কৰিলে। কাৰ্থেজ নগৰীৰ লগত পৃথিৱীৰ সংযোগ ছিন্ন হৈ গ'ল। কাৰ্থেজৰ অধিবাসীসকলে দিনৰ পাছত দিন ধৰি অনাহাৰত কটালে। পাছত ছিপিঅ কাৰ্থেজ নগৰলৈ সোমাল আৰু কাৰ্থেজ নগৰৰ সাতলাখ অধিবাসীৰ মাজত চাৰে ছয় লাখ নাৰী-পুৰুষক নিৰ্মমভাৱে হত্যা কৰিলে, আৰু জীয়াই থকা বাদবাকীখিনিক ক্ৰীতদাস হিচাপে ৰোমলৈ লৈ গ'ল।

তাৰ পাছত, ৰোমানহঁতে কাৰ্থেজত জুই লগাই দিলে। এই জুই ইমানেই ভয়ংকৰ আছিল যে এই বিৰাট নগৰীৰ এটা অট্টালিকা, এখন দেৱাল, এখন ইটাও এমুঠি ছাই হোৱাৰ পৰা ৰক্ষা নপৰিল। ৰোমানহঁতে কাৰ্থেজ নগৰীৰৰ বাট-পথ নাঙলেৰে চহিলে।

ইতিহাসত মানুহৰ দ্বাৰা যে কেনেকুৱা হিংসাৰ সৃষ্টি হ'ব পাৰে, কাৰ্থেজৰ বিধ্বংসী বিনাশ প্ৰকৃষ্ট উদাহৰণ।



ভাৰতৰ অতীতলৈ জুমি চাওঁ আহাঁ



১, 'কাৰ্ণচাকা' শব্দৰ অৰ্থ কি ?

২. ভাৰতবৰ্ষৰ বাহিৰত কোনখন দেশৰ ৰাজধানীৰ নাম 'অযোধ্যা' ?

৩. এটা দুৰ্গক আগুৰি কোনখন নগৰ গঢ় লৈ উঠিছিল ?

ক) সেই দুৰ্গৰ নাম কি ?

খ) সেই দুৰ্গ কোনে আৰু কেতিয়া সাজিবলৈ ধৰিছিল ?

গ) তেওঁক সেই দুৰ্গ নিৰ্মাণ কৰিবলৈ কোনে মাটি দিছিল ?

৪, ইংৰাজ লোকসকলে কলিকতাত নিৰ্মাণ কৰা দুৰ্গটোৰ নাম কি ? এই দুৰ্গ কেতিয়া নিৰ্মাণ কৰা হৈছিল ?

৫. কোনজন মোগল বাদশ্বাহক তেওঁৰ সেনাপতিয়ে বন্দী কৰিছিল ?

ক) সেই সেনাপতিৰ নাম কি ?

খ) বাদশ্বাহ কেনেকৈ মুক্ত হৈছিল ?

৬. বিক্ৰম-যুগ কোন খৃষ্টীয় বছৰৰপৰা গণনা কৰা হয় ?

৭, শক-যুগ কোন খৃষ্টীয় বছৰৰপৰা গণনা কৰা হয় ?

৮. গুপ্ত যুগ কোম খৃষ্টীয় বছৰৰপৰা গণনা কৰা হয় ? [উঃ ৮ পৃঃ]

সত্য ঘটনা
বৈজ্ঞানিক উদ্ভাৱন আৰু আৱিষ্কাৰৰ পৃথিৱীত

১. এগৰাকী চীনদেশীয় সম্ৰাটৰ ৰাজসভাত কোন ইঅ'ৰোপীয় মানুহজনে উচ্চপদস্থ বিষয়াৰ বাব লভিছিল ?

ক) এই সম্ৰাট কোন আছিল ?

খ) সেই ইঅ'ৰোপীয় মানুহজনৰ অভিযানৰ কথা কেনেকৈ জনা হৈছিল ?

গ) এওঁৰ সৈতে থকা অন্য ইঅ'ৰোপীয় মানুহ দুজন কোন আছিল ?

২. ব্ৰহ্মপুত্ৰ, বিপাশা আৰু শতদ্ৰু নৈৰ উৎসস্থল কোনজন ইঅ'ৰোপীয়ই অনুসন্ধান কৰি উলিয়াইছিল ?

৩. কোন প্ৰাণীয়ে মানুহৰ জন্মৰ হাজাৰ হাজাৰ বছৰৰ আগতে কাগজৰ দৰে বস্তু প্ৰস্তুত কৰিছিল ?

৪. কোন প্ৰাণীয়ে দেহৰ অভ্যন্তৰত থকা পাকস্থলী বাহিৰলৈ উলিয়াব পাৰে ?

৫. এগিলাছ পানীত এডোখৰ বৰফ গলালে পানীৰ উচ্চতা বাঢ়িবনে ?

৬. উৰা-জাহাজৰ প্ৰথম আৰ্হি কোনে সাজি উলিয়াইছিল ?

৭. জোনৰ স্থিৰচিত্ৰ (ফটোগ্ৰাফ) প্ৰথমে কেতিয়া পোৰা হৈছিল ? [উত্তৰ : ৮ পৃঃ]

আমাৰ সাহিত্য আৰু পুৰাণশাস্ত্ৰলৈ এভুমুকি

১. ৰজা বিক্ৰমাদিত্যৰ ৰাজসভাৰ নৱৰত্ন কোন কোন আছিল ?

২. নায়ানমাৰছসকল কোন ?

৩. আলোৱাৰসকল কোন আছিল ?

৪. ভাৰতবৰ্ষৰ প্ৰথমযুগৰ গ্ৰন্থসমূহ কি কি ?
   ক) তাত তাৰ ভিতৰত কিমান সংখ্যক আছে ?
   খ) সেইসমূহ কোনে ৰচিছিল ?
   গ) কোনে সেইসমূহ সম্পাদনা কৰিছিল ?
   ঘ) বেদৰ অন্য নাম কি ?
   ঙ) বেদৰ সেই নাম কিয় কৰা হৈছিল ?

৫. বেদৰ পাছত কি আহিছিল ?
   ক) তাত সেইসমূহৰ মাজত কিমান আছিল ?
   খ) সেইসমূহৰ মাজত কিমান সংখ্যক গুৰুত্বপূৰ্ণ ?

[উত্তৰ : ৮ পৃষ্ঠাত]

ভাৰতৰ সকলো ভাষাত এটা শব্দ

আমি শিকোঁ আহঁা

অসমীয়া : সন্ধিয়া ; বাংলা : সন্ধ্যা ; ইংৰাজী : ইভ্‌নিং ; ওড়িয়া : সন্ধ্যা ;
গুজৰাটি : ছঁজ্ : হিন্দী : শ্বাম্ ; কন্নড় : ছান্‌জে ; কাশ্মীৰী : শ্বাম্ ;
মালায়ালাম্: বাইকুন্নেৰম্ : মৰাঠী : সন্ধ্যাকাল ; পঞ্জাবী : লোটাবেলা ; উৰ্দ্দু : শ্বাম্ ;
সিন্ধি : শ্বাম্ : তামিল : মালাই ; তেলুগু : ছায়ম্‌কালম্ ; সংস্কৃত : সন্ধ্যা ।

বিশ্বাস কৰানে ?

* ইউলিউছ কায়েছাৰ (জুলিয়াছ ছিজাৰ) এগৰাকী ৰোমীয় সম্ৰাট আছিল ?
* আকাশৰ ৰং নীলা ?
* হিন্দুসকল কেৱল ভাৰতবৰ্ষতে সংখ্যাগৰিষ্ঠ ?

নহয় !

* তেওঁৰ তীব্ৰ ইচ্ছা থকা সত্বেও—'সম্ৰাট' উপাধি তেওঁ কেতিয়াও পোৱা নাছিল ।
* আকাশৰ কোনো নিজা ৰং নাই । পৃথিবীৰ আৱহমণ্ডলৰ মাজেদি সূৰ্যৰশ্মি যোৱাৰ প্ৰভাৱতহে আকাশৰ ৰং নীলা যেন দেখি ।
* নহয় । নেপাল ৰাষ্ট্ৰতো হিন্দুসকল সংখ্যাগৰিষ্ঠ ।

উত্তৰ

তেওঁ কোন ?

আদি শংকৰাচাৰ্য ।

ভাৰতৰ অতীত

১. 'কৰুনাডু' শব্দৰপৰা কৰ্ণাটাকা আহিছে । 'কৰুনাডু'ৰ অৰ্থ হ'ল 'ওখ মাটি' ।

২. থাইলেণ্ডৰ ৰাজধানী ।

৩, মাদ্ৰাজৰ আধুনিক নগৰ ।

ক) ফ'ৰ্ট (দুৰ্গ) ছেইণ্ট জৰ্জ ।

খ) ইষ্ট ইণ্ডিয়া কম্প্যানিৰ ফ্ৰান্সিছ ডে' । ১৬৫০ চনত ।

গ) চন্দ্ৰগিৰিৰ ৰজা ।

৫. ফ'ৰ্ট উইলিয়াম । ১৬৯৭—১৭১৫ চনত নিৰ্মিত হৈছিল ।

৫. সম্ৰাট জাহাংগীৰক ।

ক) মহবত খান ।

খ) সম্ৰাজ্ঞী নূৰজাহানৰ দক্ষতাৰে ।

৬. খৃষ্টপূৰ্ব ৫৮-ৰপৰা ।

৭. ৭৮ চনৰপৰা ।

৮. ৩১৯—২০ চনৰপৰা ।

বিজ্ঞান-আৱিষ্কাৰ ইত্যাদি

১. মাৰ্কো পোলো ।

ক) কুব লা খান ।

খ) ইটালীলৈ উভতি অহাৰ পাছত মাৰ্কো পোলো-ই এক যুদ্ধত সাঙোৰ খাই পৰিছিল আৰু তেওঁক বন্দী কৰা হৈছিল । কাৰাগাৰত তেওঁ তেওঁৰ জীৱন-কাহিনী লিপিবদ্ধ কৰিছিল ।

গ) তেওঁৰ পিতা নিক'ল' পোলো আৰু খুড়াদেউ মাফি'অ' পোলো ।

২. সেভ্‌ন্‌ এণ্ডাৰ্স হেডিন (১৮৬৫—১৯৫২) ।

৩. বৰফ ।

৪. স্টাৰ ফিশ্‌ নামৰ সাগৰৰ মাছ ।

৫. নহয় ।

৬. লিঅ'নাৰ্দ' দ্য ভিঞ্চি ।

৭. ১৮৬১ চনত ।

সাহিত্য-পুৰাণ

১. কালিদাস, বেতালভট্ট, ঘটকৰ্পৰ বৰাহমিহিৰ, ক্ষপণক, অমৰসিংহ, বৰৰুচি, শংকু আৰু ধন্বন্তৰী ।

২, তামিলভূমিৰ প্ৰাচীন শৈৱ-সন্ত-সকলক ।

৩, প্ৰাচীন তামিলভূমিৰ বৈষ্ণৱ সন্ত-সকলক ।

৪. বেদ ।

ক) চাৰি ।

খ) আৰ্ৰ্য-পুৰণি দিনৰ ভালেমান জ্ঞানীপুৰুষ ।

গ) বেদব্যাস ।

ঘ) শ্ৰুতি

ঙ) কিয়নো ই লিখিত নাছিল, পুৰুষ-পৰম্পৰাই পণ্ডিত লোকসকলে সুঁৱৰিছিল (শ্ৰুতিৰ অৰ্থ হ'ল যি কাণেৰে শুনা যায়) ।

৫. উপনিষদ ।

ক) এশ আঠ ।

খ) ষোল ।



কাব্য-কথা

মণি-মঞ্জৰী-৪

[আগৰ সংখ্যাত কোৱা হৈছে :]

পুম্পুহৰ নগৰৰ এক ব্যৱসায়ী ৰাজপুত্ৰ কোভালানে তেওঁৰ বিবাহিতা পত্নী কন্নকিক সাময়িকভাৱে এৰি গুচি গৈছিল, যদিও পাছত অনুতপ্ত হৈ উভতি আহিল। কোভালান-কন্নকি মাদুৰাইলৈ গ'ল। এক দীঘলীয়া ভ্ৰমণৰ অন্তত তেওঁলোকে এই প্ৰাচীন নগৰ পালেহি।

কন্নকিয়ে কোভালানক দিয়া কন্নকিৰ ভৰিত পিন্ধা অলংকাৰযোৰৰ পৰা এপাট অলংকাৰ বেচিবলৈ কোভালান নগৰলৈ গ'ল আৰু ৰজাৰ স্বৰ্ণকাৰক দেখুৱালে। ইমান মূল্যবান অলংকাৰ দেখি ৰজাৰ স্বৰ্ণকাৰৰ মনত অত্যন্ত চোভা হ'ল।



ইপিনে—ৰাণীৰ ভৰিত পিন্ধা অলংকাৰ যোৰৰ মাজত এপাট নোহোৱা হৈছিল। গতিকে—স্বৰ্ণকাৰৰ সন্দেহ দৃঢ় হ'ল। তেওঁৰ নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিবলৈ আৰু লগতে কোভালানক এই অলংকাৰ পাটৰ দাম নিদিবলৈ স্বৰ্ণকাৰে ৰজাক ক'লেগৈ যে তেওঁ ৰাণীৰ সেই অলংকাৰ গৰক দেখা পাইছে।



সেই সময়ছোৱাত ৰজা অতি পৰিশ্ৰান্ত আৰু বিৰক্ত হৈয়েই আছিল। তেওঁ তেওঁৰ প্ৰহৰীইঁতক আদেশ দিলে যে এই স্বৰ্ণকাৰে যি মানুহক দেখুৱাই দিব, তাক—সেই মানুহজনৰ ওচৰত থকা ভৰিৰ অলংকাৰ পাট যদি দেখাত ফুলৰ মালাৰ দৰে হয় তাক বধ কৰিব লাগিব।

প্ৰহৰীইঁত ৰজাৰ স্বৰ্ণকাৰৰ লগত গ'ল আৰু কোভালানৰ ওচৰত সেই অলংকাৰ-পাট দেখা পালে। তেতিয়া প্ৰহৰীইঁতে কোভালানক গ্ৰেপ্তাৰ কৰি ৰাজ-আলিয়েদি টানি-আঁজুৰি বধ্যভূমিলৈ লৈ গ'ল। প্ৰহৰীইঁতৰ মাজত থকা মদপী-এটাই কোভালানক তৰোৱালেৰে কাটি পেলালে আৰু কোভালানৰ মৃত্যু হ'ল।



কন্নকিয়ে তেওঁৰ স্বামীৰ বাট চাই উদ্বিগ্ন-ভাবে ৰৈ আছিল। হঠাৎ তেওঁ তেওঁৰ স্বামীৰ মৃত্যুৰ বাতৰি পাই হতভম্ব হৈ পৰিল। তাৰ পাছ মুহূৰ্ততে কন্নকি ভয়ংকৰী হৈ উঠিল। কন্নকিয়ে ৰাজ-ধানীৰ বাটে বাটে কান্দি কান্দি চিঞৰি চিঞৰি কৈ থাকিল: "ঈশ্বৰ নাইনে? এইখন দেশত সৎ মানুহ নাইনে?"

নগৰৰ অধিবাসীসকল বিস্মিত হৈ কন্নকিৰ চাৰিওফালে গোট খালে। কন্নকিৰ এই মৰ্মভেদী ক্ৰন্দন আৰু বক্তব্য শুনি নগৰৰ সকলোটিয়েই এই কথা বুজি পালে যে ৰজাই এক নিদাৰুণ ভুল কৰিলে। কথাটো বুজি পাই সকলোটিয়েই বিচূৰ্তি খালে।



আৰু অৱশেষত কন্নকি ৰজাৰ মুখামুখি হ'ল। কন্নকিয়ে তেওঁৰ ভৰিত পিন্ধি থকা সেই অলংকাৰযোৰৰ আনপাট ৰজাক দেখুৱালে। এই অলংকাৰপাট আছিল ৰত্ন-খচিত, কিন্তু ৰাণীৰ সেই অলংকাৰ আছিল মুক্তা-খচিত। ৰজাই তেওঁৰ বিৰাট ভুল বুজি পালে, আৰু তেওঁ নিদাৰুণ আঘাতপ্ৰাপ্ত হৈ তাতেই ঢুকাল।

অলপ পাছত ৰাণীও তালৈ লৰৰি আহিল। ঘটনাৰ কথা বুজি পাই, আৰু ৰজাৰ মৃত্যুৰ কথা অনুভৱ কৰি শোকগ্ৰস্তা ৰাণী তৎক্ষণাৎ তাতেই মূৰ্ছিত হৈ বাগৰি পৰিল আৰু ঢুকাল।

কিন্তু কন্নকিৰ ক্ৰোধাগ্নি তথাপি হুলুস্থুল। কন্নকিয়ে সমগ্ৰ নগৰী তিনিবাৰ পৰিভ্ৰমণ কৰাৰ অন্তত অনুভৱ কৰিলে : য'ত ৰজাই এনেহেন অন্যায়-অবিচাৰ কৰিব পাৰে, সেই ঠাই আচলতে অসৎ মানুহৰ বাসস্থান। কন্নকিয়ে এই নগৰলৈ অভিশাপ দিলে আৰু নগৰখন কন্নকিৰ অভিশাপৰ জুইত পুৰি ভস্ম হ'ল।

হঠাৎ বিৰাট অগ্নিয়ে নগৰখনক চাৰিওফালৰপৰা বেঢ়ি ধৰিলে। কিন্তু কন্নকিয়ে নগৰৰ সৎ মানুহখিনিক ৰক্ষা কৰিবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰিলে। আনকি গাই-বলদ, পংগু বৃদ্ধ আৰু শিশুইতকো ৰক্ষা কৰিবলৈ ঈশ্বৰক খাটিলে। তেওঁলোক এই বিধ্বংসী জুইৰ গ্ৰাসৰপৰা ৰক্ষা পৰিল।



কিছু সংখ্যক মানুহে কন্নকি আৰু কোভালানক স্বৰ্গীয় ৰথত আৰোহণ কৰি স্বৰ্গলৈ যোৱা দেখা পাইছিল। ৰথত উঠি স্বৰ্গলৈ যোৱাৰ কালত মানৱী কন্নকিক দেখাত দেৱীহেন লাগিছিল। কন্নকি আছিল ন্যায়শক্তি আৰু সততাৰ এক সমুজ্জ্বল প্ৰতীক। [অন্ত]



মানুহৰ দুৰ্বল ঠাই

বিত্তাধৰপুৰৰ বৰগছজোপাত আছিল ভূতৰ আড্ডা। এই ভূতবিলাকে মানুহৰ দুৰ্বলতাৰ কথা মানুহৰ মুখলৈ চায়েই বুজি পাইছিল। কিন্তু কিহত যে মানুহৰ দুৰ্বলতা আটাইতকৈ অধিক—ভূতে সেই কথাৰ ভু নাপাইছিল। সিহঁতৰ কথা হ'ল—মানুহৰ মনৰ দুৰ্বলতা হেনো মুখতে ফুটি ওলায়।

কিন্তু এই কথাত আটাইবোৰ ভূত একমত নহয়। নানা ভূতৰ নানা মত।

এনেবোৰ তৰ্কবাদ চলি থাকোঁতেই এজন মানুহ সেই বৰগছজোপাৰ কাষেদি গৈ আছিল। কিন্তু এই মানুহজনৰনো কেনেকুৱা দুৰ্বলতা আছে—কোনো এটা ভূতেও তাৰ আঁটকাল নাপালে। মানুহজনৰ মুখখন আছিল গহীন আৰু নিৰ্লিপ্তবিধৰ।

বয়সিয়াল ভূতবিলাকে—পুৰাণক ভূতবিলাকেও যেতিয়া এই মানুহজনৰ দুৰ্বলতাৰ সম্পৰ্কে একো ক'ব নোৱাৰিলে, তেতিয়া এটা পোৱালিভূতে টকা ভৰ্তি মোনা এটা বাটৰ ওপৰত থৈ দিলে। মোনা এটা পৰি থকা দেখিলে কোনো মানুহেই মোনাত কি আছে নোচোৱাকৈ নাথাকে। কিন্তু এই মানুহজনে মোনাটোলৈ পলকমান চাই মাত্ৰ এই কথাখিনিহে ক'লে: এস্! কোনোবা বেচেৰাই ভুলতে পেলাই থৈ গ'ল! —এই বুলি কৈ, মোনাটোত কি আছে কি নাই—নোচোৱাকৈয়েই মানুহজন আগুৰাই গৈ থাকিল।

মানুহজনৰ এনেহেন নিৰ্লিপ্ত আচৰণলৈ লক্ষ্য কৰি ভূতবিলাক আচৰিত হ'ল। টকা বুলি ভাবি মোনাটো খুলি চোৱাহেঁতেন মানুহজনে এমোনা শিলগুটি, বা

নবনীতা সেনগুপ্ত

জীয়া বিছাকে কিজানি পালেহেঁতেন— ভূতবিলাকেও তেতিয়া মজা পালেহেঁতেন।

তেতিয়া আন এক উপায়েৰে মানুহ-জনক নাবাজ-বাজত পেলাই নাকাল কৰিবৰ মনেৰে সেই ব্যৰ্থ পোৱালি ভূতটোৱে এজনী গাভৰু ছোৱালীৰ ৰূপ ধৰি মানুহজনৰ আগে আগে গৈ থাকিল। কিন্তু মানুহজনে সেইজনী গাভৰুৰ কাষেদি নিৰ্লিপ্তভাৱে আগুৱাই গ'ল, গাভৰুজনীলৈ ঘূৰিও নাচালে।

হঠাৎ এটা আৰ্তনাদৰ শব্দ উঠিল। আৰু তেতিয়া মানুহজনে ঘূৰি চালে। ছোৱালীজনীৰ ভৰিত কাঁইটে বিন্ধিছিল।

মানুহজনে ছোৱালীজনীৰ ভৰিৰপৰা কাঁইটডাল উলিয়াই আনিলে আৰু পুনৰ গুচি যাবলৈ খোজ ল'লে। তেতিয়া গাভৰু ছোৱালীজনীয়ে মানুহজনৰ হাতত ধৰি ৰখাই লাজ লাজ মাতেৰে মিঠাকৈ ক'লে, "আপোনাক মই ভাল পাই পেলাইছোঁ। মোক বিয়া কৰাবনে?"

মানুহজনে আমনি পোৱা যেন হৈ ক'লে, "অকণমান কাঁইট এডাল উলিয়াই দিয়াত —লগে লগে মোক তুমি মোক ভাল পাই পেলালা! ভাল পোৱা ভালেই, পিছে— মোক বিয়া কৰোৱাৰ পাছত যদি কেতিয়াবা তাতোকৈ ডাঙৰ কাঁইট বিন্ধে—আৰু আন কোনোবাই উলিয়াই দিয়ে—তেতিয়া তেওঁক তুমি কি ক'বা? গতিকে—ইমান খৰকৈ ভালপোৱা ভাল নহয়। মোৰ কথাষাৰ বুইছা নহয়? মই বিয়া-চিয়া নকৰাওঁ।"

মানুহজন গৈ থাকিল ... গৈয়েই থাকিল। বহু সময়ৰ অন্তত হঠাৎ 'পানী! পানী!' বুলি কোনোবাই আৰ্তনাদ কৰা শুনি মানুহজনে ইফালে-সিফালে চাবলৈ ধৰিলে। চাই অলপ আঁতৰত ৰজাৰ দৰে সাজ-পাৰ পিন্ধা মানুহ এজনক দেখা পালে আৰু তেওঁক খোৱাপানী আনি দিলে।

ৰজাৰ ভেশ লোৱা ভূতটোৱে মানুহজনক



ক'লে, "আপুনি মোৰ প্ৰাণ ৰক্ষা কৰিলে। পানী নোপোৱাহেঁতেন মোৰ জীৱনৰ আজিয়েই অন্ত পৰিলহেঁতেন। মই এই দেশৰ ৰজা। চিকাৰলৈ ওলাই বাট হেৰুৱাই পেলাইছোঁ, দলভ্ৰষ্ট হৈ পৰিছোঁ। ইমান পৰিপূৰ্ণ ৰাজসভাত আপোনাৰ মান ধৰিম। অনুগ্ৰহ কৰি ৰাজধানীলৈ আহক।"

মানুহজনে ক'লে, "তৃষ্ণাৰ্তক জলদান সকলো মানুহৰে অৱশ্যকৰ্তব্য। সাধাৰণ মানৱিক ধৰ্ম। তাৰ প্ৰতিদান হিচাপে মোক একো নালাগে।" এই বুলি কৈ মানুহজনে পুনৰ খোজ ল'লে।

তাৰ পাছত—পোৱালি ভূতটোৱে এটা বয়সিয়াল ভূতক লগত লৈ বাপেক-পুতেকৰ ভেশ ধৰি সেই বাটেদি গৈ থাকিল। সিহঁত দুটাই সেই মানুহজনক এজোপা গছৰ ছাঁত টোপনিয়াই থকা দেখি সিহঁত দুটায়ো তাত শুলেগৈ। তাৰ পাছত—মানুহজনে যেতিয়া সাৰ পালে, তেতিয়া সিহঁত দুটাই মানুহজনৰ সৈতে ইকথা-সিকথাৰ বকলা মেলিলে। আৰু—

আৰু এইবাৰ মানুহজনেও কৈ থাকিল এই বাটেদি আহি থাকোঁতে ঘটা ঘটনা-বোৰৰ কথা। টকাৰ মোনা, ৰূপৱতী গাভৰু ছোৱালী, দেশৰ ৰজাই তেওঁৰ মান ধৰাৰ কথা—সকলো সবিস্তাৰে ভেশছন লোৱা ভূত দুটাক কৈ থাকিল, আৰু জনা কথাবোৰ সিহঁত দুটাই তিতা-কেঁহা লাগি হ'লেও বাধ্যত পৰি শুনি থাকিল।

সকলো কথা আঁতি-গুৰি মাৰি কোৱাৰ অন্তত মানুহজনে ভেশছন লোৱা ভূত দুটাক সুধিলে, "এতিয়া—তোমালোকেই কোৱাচোঁ—মই যে ধনৰ লোভ নকৰিলোঁ, ৰূপহী গাভৰুক লোভত পৰি বিয়া নকৰালোঁ, দেশৰ ৰজাই দিব খোজা মান সন্মান পৰিহাৰ কৰিলোঁ—এইবোৰ বাৰু মোৰ ত্যাগস্বীকাৰ নহয়নে মোৰ নিচিনা মানুহ—আৰু কেতিয়াবা লগ পাইছানে—বা পাবা বুলি ভাবানে বাৰু?"

“নাইঃ, নাই পোৱা। কোনো-কাহানিও নাই পোৱা।” ছুয়োটায়েই কৈ উঠিল।

এই কথাত মানুহজনৰ মনত উছাহৰ জোৱাৰ উঠিল। তেতিয়া তেওঁ ঠেং মেলি ভালকৈ বহি লৈ, তেওঁৰ সৰুকালৰপৰা তেওঁ ক'ত কি কেতিয়া কেনেকৈ কৰিছিল তাৰ বিবৰণ বিবৰিবলৈ ধৰিলে। তেওঁ যে নিজৰ দোষ-ক্ৰুটিবোৰ কেনেকৈ গুচালে, উন্নতিৰ অৰ্থে তেওঁ কেনেকৈ অহোপুৰুষাৰ্থ কৰিলে, তাৰ বিশদ ব্যাখ্যাৰে সৈতে লেথাৰি নিছিগাকৈ ছেদভেদ নোহোৱা বৰষুণৰ দৰে অবিৰল-অনৰ্গল ধাৰেৰে কৈ থাকিল···কৈ থাকিল···কৈ থাকিল··· অনৰ্গল-অবিৰল কৈয়েই থাকিল···।

ক্ৰমে ভূত ছুটাই হামিয়াই থাকিল। মানুজন তথাপি নৰ'ল, নিজৰাৰ অবিৰল ধাৰৰ দৰে কথাৰ অনৰ্গল ধাৰ বৈয়েই থাকিল। এসময়ত ভূত ছুটাৰ পুনৰ মৰি যাওঁ মৰি যাওঁ যেন লাগিল। সিহঁত ছুটাৰ মূৰ বিষাবলৈ ধৰিলে। সিহঁতৰ কাণৰ ভিতৰত যেনিবা লাখ-বিলাখ ভোমোৰাই ভোঁ-ভোঁৱাবলৈ ধৰিলে। আৰু এসময়ত সিহঁত ছুটাৰ চকুৰপৰা লোতক বাগৰি আহিল। কিন্তু মানুহজনৰ এইবোৰলৈ মন-কাণ নাই। তেওঁ কৈ আছে··কৈ আছে···কৈয়েই আছে··।

আৰু এসময়ত অসহনি হৈ ভূত ছুটাই বাধ্যত পৰি তাৰপৰা নোকোৱা-নেমেলা-কৈয়েই পলাই ফাট মাৰিলে। মানুহজনক জব্দ কৰিবলৈ গৈ মানুহজনৰ হাতত ৰাম-খেকেচা খাই জব্দ হ'ল ভূত ছুটাই।

পলাই অহাৰ পাছত স্বস্তিৰ উশাহ এৰি বয়সিয়াল ভূতটোৱে পোৱালি ভূতটোক ক'লে, “মানুহৰ আটাইতকৈ বেছি দুৰ্বলতা কিহত — গম পালিনে বাৰু এতিয়া ?”

“কিহতনো?” পোৱালি-ভূতে সুধিলে।

“নিজৰ ঢোল নিজেই কোবোৱাত।”

১৬

কৃষ্ণই
সৰ্বলোকৰপৰা
সৰ্বশ্ৰেষ্ঠ বস্তুবোৰ দ্বাৰকালৈ
অনালে। পৱন-দেৱতাক অনুৰোধ কৰাত
পৱন-দেৱতাই বিশ্বকৰ্মাৰদ্বাৰা নিৰ্মিত দেৱৰাজ ইন্দ্ৰৰ
'সুধৰ্মা' নামৰ অপৰূপ কক্ষটো কৃষ্ণক উপহাৰ হিচাপে দিয়ালে।
নেপথ্যত থাকি কৃষ্ণই ৰাজ্য-পৰিচালনা কৰিবলৈ ধৰিলে। ৰজা উগ্ৰসেন, কাশ্যপ নামৰ ব্ৰাহ্মণ পুৰোহিত, বিকদ্ৰু নামৰ মন্ত্ৰী প্ৰমখ ৰাজ্য-শাসনৰ বাবে নিৰ্বাচিত হৈছিল। নিৰ্বাচিত প্ৰতিজনেই আছিল যথেষ্ট অভিজ্ঞতাসম্পন্ন। কিন্তু গুপ্তচৰইঁতক কৃষ্ণই নিজেই পৰিচালনা কৰিছিল। অস্ত্ৰবিদ্যাত সাত্যকি আছিল দ্ৰোণাচাৰ্য্যৰ সমকক্ষ। সেইদেখি সাত্যকিক সেনাপতি হিচাপে নিৰ্বাচিত কৰা হ'ল। দ্বাৰকা হৈ উঠিল ভূ স্বৰ্গ। দ্বাৰকাৰ আপামৰ প্ৰজাবৰ্গ পৰম সুখেৰে আৰু নিৰাপদে বসবাস কৰি থাকিল। ৰেৱত ৰজাৰ কন্যা ৰেৱতীক বলৰামে বিবাহ কৰালে। এইবাৰ কৃষ্ণৰ বিবাহৰ পাল পৰিল। আৰম্ভ হ'ল অন্য এক অধ্যায়।

'ৰুক্মিণী-কথা'

বিন্ধ্য পৰ্বতৰ দক্ষিণ দিশত বিদৰ্ভ নামৰ দেশখনৰ ৰজা আছিল ভীষ্মক। ৰুক্মি নামৰ ভীষ্মকৰ এজন পুত্ৰ আছিল। ৰুক্মি আছিল ডাঙৰ বীৰ। ৰুক্মিয়ে দ্ৰুম ৰজাৰ পৰা বিভিন্ন অস্ত্ৰ, আৰু পৰশুৰামৰপৰা ব্ৰহ্মাস্ত্ৰ লাভ কৰিছিল। কৃষ্ণৰ বিষয়ে ৰুক্মি আছিল পৰশ্ৰীকাতৰ।

ৰুক্মিৰ ভনীয়েকৰ নাম আছিল ৰুক্মিণী। ৰুক্মিণী আছিল ত্ৰিজগত খ্যাত অসামান্যা ৰূপৱতী তথা তেজস্বিনী। ৰুক্মিণীয়ে কৃষ্ণক ভাল পাই পেলালে আৰু তেওঁৰ গৰ্ভত মন্মথৰ জন্ম হ'ল। ঋষিসকলে ৰুক্মিণীক দেৱীৰূপে মানি ল'লে আৰু তেওঁলোকে ৰুক্মিণীক পূজিবলৈ ধৰিলে।

ৰুক্মিণীৰ ওচৰত ঋষিগণে তেওঁলোকৰ সুখ-দুখৰ কথা কৈছিল। তেওঁলোকে যেতিয়া কৃষ্ণক প্ৰশংসা কৰিছিল, তেতিয়া মন্মথই একমনে সেই কথা শুনিছিল।

কিন্তু ৰুক্মিণীৰ ককায়েকে ৰুক্মিণীয়ে কৃষ্ণৰ নাম কোৱা শুনিলেই মাটিত সাত কিল মাৰিছিল। ৰুক্মিৰ কৈছিল : যিটোৱে সেই তলখাপৰ ৰাখোৱালমখাৰ লগত থাকে, সেইটোৰ লগতনো আমাৰ বাৰু কিহৰ সা-সম্পৰ্ক? তাৰ সৈতেসম্পৰ্ক স্বীকাৰ কৰাত মোৰ মৰ্য্যাদাই মোক বাধা দিয়ে।

ইতিমধ্যে—মগধৰ গিৰিব্ৰজপুৰৰপৰা জৰাসন্ধই প্ৰস্তাৱ পঠালে শিশুপালৰ সৈতে ৰুক্মিণীৰ বিয়াখন পাতিবলৈ। দমঘোষৰ ল'ৰা শিশুপাল আছিল এই জৰাসন্ধৰ তোলনীয়া পো। শিশুপালৰ মাতৃৰ নাম আছিল শ্ৰুশুশ্ৰৱা। দমঘোষ আৰু জৰাসন্ধ আছিল পৰস্পৰৰ আত্মীয়। আৰু সেইহে, জৰাসন্ধই যেতিয়া শিশুপালক তোলনীয়া হিচাপে ল ব খুজিলে, যেতিয়া দমঘোষে নল'বা বুলি ক'ব নোৱাৰিলে। শিশুপাল আছিল দমঘোষৰ জ্যেষ্ঠপুত্ৰ। শিশুপাল সুনীদ নামেৰেও জনাজাত আছিল।

জৰাসন্ধৰ এই প্ৰস্তাৱত ৰুক্মিণীৰ পিতৃ সন্মত হ'ল, যদিও কৃষ্ণৰ সৈতে ৰুক্মিণীক



বিয়া দিবলৈহে ভীষ্মক ইচ্ছুক আছিল। কিন্তু ৰুক্মিণীৰ ককায়েক ৰুক্মিৰ ইচ্ছা— শিশুপালৰ সৈতে ভনীয়েকৰ বিয়া পাতিব। ভীষ্মকে পুত্ৰৰ সৈতে বিৰোধিতা নকৰিবলৈহে জৰাসন্ধৰ প্ৰস্তাৱত সন্মতি দিলে।

ভীষ্মৰক সন্মতি পোৱামাত্ৰেই জৰাসন্ধই তেওঁৰ অধীনস্থ সকলো ৰজালৈ আমন্ত্ৰণ-পত্ৰ পঠালে। অংগ, পাণ্ডৰ, বংগ, কলিংগ, পৌণ্ড্ৰ, পাণ্ড্য, কাশ, কৰুশ, প্ৰমুখ ৰজাসকল শিশুপালৰ বিবাহত যোগ দিবলৈ ৰাওনা হ'ল। শিশুপালৰ সৈতে বৰযাত্ৰী হৈ যোৱাসকলৰ মাজত কৰাণৰ ৰাজকোঁৱৰ পৌণ্ড্ৰক, বসুদেৱ, একলব্যৰ পুত্ৰ বীৰৱন্ত আৰু সুৱক্ৰও আছিল অন্যতম।

পাছদিনা আছিল বিবাহৰ দিন। কালমাত্ৰও বিলম্ব নকৰি সমগ্ৰ নগৰত বিবাহৰ সংবাদ ঘোষণা কৰা হ'ল। আমন্ত্ৰিত লোকসকল সুসজ্জিত হৈ শিশুপালৰ ওচৰলৈ আহি থাকিল।

সিফালে—নাৰদমুনি দ্বাৰকালৈ গ'ল। গৌৰ বৰ্ণ, স্বৰ্ণাভ কেশ, পিন্ধনত চৰ্ম-পৰিধান, আৰু লগতে বীণা-বাদনৰত এই অপূৰ্ব সুন্দৰ দেৱতাক দেখি বাটৰ দুকাষত থকা প্ৰজাবৰ্গই পৰম আনন্দ লভিলে।

নাৰদৰ আগমনৰ সম্বাদ পাই উগ্ৰসেন, বসুদেৱ, কৃষ্ণ আৰু বলৰাম, আৰু লগতে অন্য বহুতেও নাৰদৰ সৈতে সাক্ষাৎ কৰিবলৈ আগুৱাই গ'ল। ৰাজসভাত নাৰদলৈ সন্মান জনোৱা হ'ল। তাৰ পাছত কৃষ্ণই তাত উপস্থিত থকা সকলোকে বহিবলৈ কোৱাৰ অন্তত কৰযোৰে নমস্কাৰ কৰি নাৰদক ক'লে, "মুনিবৰ! সকলো খবৰ ভালনে? তিনিওলোকৰ কুশলনে? একমাত্ৰ আপুনিহে সৰ্বলোকতে ভ্ৰমি ফুৰিব পাৰে। আপোনাৰ অজ্ঞাত একো নাই। আপুনি নিশ্চয় আমাৰ মংগল সধাৰ বাবে সত্বহতে ইয়ালৈ আগমন কৰিছে?"

কৃষ্ণৰ কথাত প্ৰীত হৈ নাৰদমুনিয়ে প্ৰত্যুত্তৰত ক'লে, "তুমি এবাৰমাত্ৰ কামনা



কৰিলেই সমগ্ৰ প্ৰাণী-জগতৰ মংগল হ'ব। গতিকে—তোমাৰ ক্ষমতাৰ তুলনাত মোৰ স্থান তোমাৰ চৰণতলত।" এই বুলি কৈ, বীণা বাদন কৰি ।নাৰদমুনিয়ে কৃষ্ণক তুষিবলৈ চেষ্টা কৰিলে। মীনাৱতাৰৰপৰা আৰম্ভ কৰি ৰামাৱতাৰলৈকে যি অসংখ্য ঘটনা ঘটিছে—সেই ঘটনাৱলী নাৰদমুনিয়ে সংগীতৰ যোগেদি কৃষ্ণক শুনালে। তাৰ পাছত—একে একে কৃষ্ণৰ শৈশৱলীলা, কৈশোৰকালৰ পৰাক্ৰম, কালীয়দমন, গোৱৰ্ধন-উদ্ধাৰণ, কংস-বধ আদি ঘটনাৱলীৰ ভেটিত সুৱলা-সুন্দৰ গীত শুনালে। তাত উপস্থিত থকা সকলোটিয়েই এই গীত-সমূহ শুনি শুনি এক অভূতপূৰ্ব আনন্দৰ সাগৰত উটিবলৈ ধৰিলে। নাৰদমুনিৰ মুখত কৃষ্ণৰ প্ৰশংসা শুনি সকলোটি মুগ্ধ। তেওঁলোকে কৃষ্ণৰ নামত জয়ধ্বনি দিলে। নাৰদমুনিয়েও জয়ধ্বনিৰ সৈতে কণ্ঠ মিলালে।নাৰদমুনিৰ গান আৰু বীণা-বাদন শেষ হোৱাৰ অন্তত তাত উপস্থিত থকা-সকলে নাৰদমুনিৰ নামতো জয়ধ্বনি দিলে।

তাৰ পাছত নাদমুনিক কৃষ্ণই ক'লে, "হে নাৰদ! আপুনি মোৰ জীৱনৰ এটা ঘটনাকো বাদ দিয়া নাই, সকলো ঘটনাৰ কথা গানে গানে শুনালে। অথচ—যি কাৰণে ইয়ালৈ আহিল, তাৰ বিষয়েহে এতিয়ালৈকো একো নক'লে।"

কৃষ্ণৰ কথাৰ উত্তৰস্বৰূপে নাৰদে ক'লে, "দক্ষিণ-সমুদ্ৰৰ তীৰত গোকৰ্ণ নামেৰে এক পুণ্যক্ষেত্ৰ আছে। তাত দেৱাদিদেৱ মহাদেৱ লিংগ ৰূপ ধাৰণ কৰি আছে। সেই লিংগৰ সমুখত বহি বহু সময় ধৰি বীণা-বাদন কৰাৰ অন্তত কুবেৰৰ সৈতে সাক্ষাৎ কৰিম —এই আঁচনি লৈহে ওলাইছিলোঁ। বাটত ভীষ্মকৰ সৈতে ভেটাভেটি হৈ গ'ল। ভীষ্মকে মোৰ সম্পৰ্কে অতি শ্ৰুতিমধুৰ বহু কথা ক'লে, ময়ো প্ৰীত-সন্তুষ্ট হৈছিলোঁ। কিন্তু তাত জৰাসন্ধৰে সৈতে অন্য অনেক ৰজাক

উপবেশন কৰি থকা দেখা পাই মই ভীষ্মকক সুধিছিলোঁ। ইমান ৰজাৰ ইয়ালৈ আগমনৰ হেতু। ভীষ্মকে ক'লে যে—জৰাসন্ধৰ পোষ্যপুত্ৰ শিশুপালৰ সৈতে ৰুক্মিনীৰ বিবাহৰ আয়োজন কৰা হৈছে। পাছদিনা বিবাহৰ শুভলগ্ন। সেইদিনা এই বিবাহ সামৰা হ'ব। বিবহাখন পতাটো অৱধাৰ্য্য। এই কথাখিনি শুনিয়েই তোমাক কথাটো জনোৱা উচিত বুলি ধাৰণা হ'ল আৰু লগে লগে লৰৰি আহিলোঁ তোমাৰ সমীপলৈ।"

একো উশাহে কথাখিনি কোৱাৰ অন্তত নাৰদ খন্তেকমান ৰ'ল। আৰু তাৰ পাছত পুনৰ ক'বলৈ ধৰিলে ঃ "তোমাৰ মনত যে ৰুক্মিণীৰ কাৰণে ঠাই এটুকুৰা আছে, কথাটো মই জানো। তোমাৰ শত্ৰুৰ সৈতে ভীষ্মকে ৰুক্মিণীৰ বিবাহ স্থিৰ কৰি সেই বিবাহ তৎক্ষণাৎ পাতিবলৈ যে আগবাঢ়িছে—সেই কথা মই প্ৰত্যক্ষ-ভাৱে জানি আহিছোঁ। বিবাহ অনুষ্ঠান হয়তো বিঘিনি নোহোৱাকৈয়েই সামৰা হ'ব ; কিন্তু যদি সেয়ে হয়—তেনেহ'লে ত্ৰিজগতত তোমাৰ দুৰ্বল চৰিত্ৰৰ কথা ওলাই পৰিব আৰু তোমাৰ বদনামৰ ঢৌ উঠিব। এতিয়া—মোৰ পৰামৰ্শমতে এটি কাম তোমাৰ কৰা আৱশ্যক। উগ্ৰসেন, সাত্যকি প্ৰমুখই তেওঁলোকৰ সৈন্য-বাহিনীৰে সৈতে তালৈ গৈ তেওঁলোকৰ



বিৰুদ্ধে যুদ্ধ কৰি, তেওঁলোকক পৰাজিত কৰি, ৰুক্মিণীক তাৰপৰা লৈ অহা কৰ্তব্য। তোমাৰ আছে সুদৰ্শনচক্ৰ, তোমাৰ পক্ষে অসাধ্য একো নাই। এই প্ৰসংগত আন এটা বিষয়ৰ কথাও কওঁ, শুনা। মই মেঘৰ আঁৰত থাকি লক্ষ্য কৰিছিলোঁ যে সখী-পৰিবৃত অৱস্থাত ৰুক্মিণীয়ে চকুপানী টুকি আছে। ৰুক্মিণীয়ে যে তোমাৰ কথা ভাবি, তোমাৰ বিৰহ-বেদনাৰে আচ্ছন্ন হৈ চকুপানী টুকি আছিল—সেই কথাত মোৰ অলপো সংশয় নাই। ৰুক্মিণীয়ে নিশ্চয় তোমাৰ কথাকে ভাবি আছিল। তোমাৰ দৰ্শন লাভৰ আকাংক্ষাৰে নিশ্চয় ৰুক্মিণীয়ে ছাটিফুট কৰি আছিল। তোমাৰ সৈতে নিৰলে বহি দুয়াৰ বাক্য-বিনিময়ৰ বাবেই নিশ্চয় ৰুক্মিণী উতলা হৈ উঠিছিল। তোমাৰ কাৰণে প্ৰতীক্ষায়েই হ'ল ৰুক্মিণীৰ বিষাদ-সংগীত। তোমাৰ মুখৰ মিঠা মাত শুনাটোৱেই হ'ল ৰুক্মিণীৰ মধুৰতম-সংগীত। তোমাৰ অবিহনে ৰুক্মিণীৰ জগত আন কোনো নাই, একো নাই। তুমিবিনে ৰুক্মিণীৰ সকলো শূন্য। বেচেৰী ৰুক্মিণীৰ এতিয়াৰ অৱস্থা অতি দুঃখপ্ৰদ, একেবাৰে বৰ্ণনা'তীত। ইমান ডাঙৰ ৰজাৰ জী, ডিঙিত দেখিলোঁ মাত্ৰ এধাৰি সাধাৰণ মালা! চুলিটাৰি ফণিউৰা নাই। ঘনে ঘনে হুমুনিয়াহ কাঢ়িছে। সখীহঁতে সাধ্যে কুলায়মানেবুজনি দিব ধৰিছে, কিন্তু সেই বুজনিয়ে ৰুক্মিণীৰ মনত বিন্দুমাত্ৰও সান্ত্বনা কঢ়িয়াই আনিব পৰা নাই। দুঃখৰ কোবত ৰুক্মিণীৰ দেহ কঁপি আছিল, পৰিতাপৰ তাপত দহিত হৈ আছিল, বেদনাৰে বিতত হৈ পৰিছিল। তোমাৰ নামৰ বাহিৰে আন কাৰো নাম ৰুক্মিণীয়ে তেওঁৰ সখীহঁতৰ মুখৰপৰা শুনিবলৈকো অমান্তি হৈছিল, তেওঁক লাগে কৃষ্ণনাম—দিনে-নিশা এক নাম—কৃষ্ণনাম কৃষ্ণনাম। ৰুক্মিণীক এতিয়া দেখামাত্ৰেই যিকোনো মানুহৰ মন বেদনা-গধুৰ হৈ উঠিব,

যিকোনো মানুহৰ মন দুঃখৰ অঠাই সাগৰত নিমজ্জিত হ'ব, বেদনাৰে আচ্ছন্ন হ'ব।

"হে কৃষ্ণ! মই এতিয়ালৈকে ৰুক্মিণীৰ অৱস্থা-দুৰাৱস্থাৰ কথা যিখিনি ক'লোঁ, তুমি এখন্তেক ভাবিলেই তাৰ সত্যতা বুজি পাবা, এখন্তেক চকু মুদি দিলেই আনকি তোমাৰো পৰমপ্ৰিয় ৰুক্মিণীৰ অসহ্য অৱস্থা নিজেই মানস চকুৰে দেখা পাবা। মোৰ এইকথাত অলপো সংশয় সন্দেহ নাই যে—তুমিও ৰুক্মিণীক প্ৰাণৰো অধিক ভাল পোৱা। এতেকে—মোৰ একান্ত নিবেদন, তুমি সদয়৷হৈ ৰুক্মিণীৰ কথা ভাবি চোৱাঁ।

"হে কৃষ্ণ! তুমি এতিয়াই ৰুক্মিণীক উদ্ধাৰ কৰাঁ। জগতৰ বহুতোকে তুমি উদ্ধাৰিলা, হে জগতৰ পৰম উদ্ধাৰণ কৃষ্ণ, ৰুক্মিনীকো তুমিয়েই উদ্ধাৰ কৰাঁ। তুমি হ'লা এই কালৰ, এই যুগৰ শ্ৰেষ্ঠ উদ্ধাৰক। তুমি যদি ৰুক্মিণীক উদ্ধাৰ নকৰা, তেনেহ'লে এই ৰুক্মিণী দুখুনীজনী অনুতাপৰ অনলত দগ্ধ হৈ মৰিব, অনুশোচনাৰ জুইত আত্মাহুতি দিব।

"হে কৃষ্ণ! আজিলৈকে তুমি অসংখ্য বীৰত্বপূৰ্ণ কাৰ্য্য কৰিছা। বহু ধৰণৰ বৰ বৰ বিপদ অতিক্ৰম কৰিছা। কিন্তু আজি যদি ৰুক্মিণীক উদ্ধাৰ কৰিবলৈ আগুৱাই নোযোৱা, যদিহে নিষ্ক্ৰিয় হৈ থাকা, তেনেহ'লে তোমাৰ গৌৰৱময় জীৱনত কলংকৰ চেকা পৰিব, তোমাৰ জীৱনৰ ইমান ঘটনাৱলীৰ ইতিহাস মসীলিপ্ত হ'ব। ত্ৰিজগতে ভাবিব ঃ কৃষ্ণ অক্ষম, কৃষ্ণভীৰু, কৃষ্ণ কাপুৰুষ!

"মই এতিয়া গুচি যাম। যোৱাৰ আগতে কৈ যাওঁ—তুমি আৰু খন্তেকমানো পলম নকৰি দুখুনী ৰুক্মিণীক উদ্ধাৰ কৰি লৈ আহাঁ। ৰুক্মিণী তোমাৰ প্ৰতীক্ষাত ৰৈ আছে।" কৃষ্ণক এই বুলি কোৱাৰ অন্তত নাৰদমুনি তাৰপৰা গুচি গ'ল।

চোৰৰ চোৰাত

চলপতিয়ে তাৰ ঘৰটো ৰাতিৰ পৰতে পৰ দিবলৈ অনুৰোধ কৰি তাৰ সৰুকালৰ বন্ধু কমলৰ হাতত চাবিপাত দিলে আৰু ক'লে, "ভাই কমল, এইমাত্র খবৰ পালোঁ, মোৰ—এজনী ছোৱালী উপজিল, গতিকে মই যাবই লাগিব তালৈ। কিন্তু মোৰ মা-দেউতাও আজিয়েই অহাৰ কথা আছে। তেওঁলোক যদি আহে—আৰু আহি যদি ঘৰটো তলাবন্ধ দেখা পায়—বৰ বিপদত পৰিব। গতিকে—তুমি আজি ৰাতি মোৰ ঘৰত থাকিবা, আৰু মা-দেউতা আহিলে চাবিপাত তেওঁলোকক দিবা।"

বন্ধুৰ অনুৰোধ এৰাব নোৱাৰি কমলে চলপতিৰ ঘৰৰ চাবিপাত ল'বলগীয়া হ'ল আৰু কমলৰ হাতত চাবিপাত গটাই দি চলপতি তাৰপৰা তৎক্ষণাৎ গুচি গ'ল।

কিন্তু ঠিক সেই দিনা গধূলিতে কমলৰ পৰিবাৰৰ বৰকৈ জ্বৰ উঠিল। কমল বিপদত পৰিল। এতিয়া বাৰু বন্ধুৰ ঘৰ পৰ দিবলৈ যায়নো কেনেকৈ ?

হঠাৎ কমলে এটা বুদ্ধি কৰিলে। চলপতিৰ ঘৰটোৰ কাষৰীয়া কোঠাত এজন নতুন ভাৰাটীয়া আছিল। ভাৰাটীয়া মানুহজনৰ নাম আদিত্য। আদিত্য বিয়াবাৰু নকৰা অকলশৰীয়া মানুহ। কমলে চলপতিৰ কথাখিনি, আৰু লগতে তাৰ নিজৰ কথাটোও আদিত্যক বুজাই ক'লে।

শুনি আদিত্যাই ক'লে, "কিনো ডাঙৰ কথা ? এইকণ কামও যদি নকৰোঁ, তেনেহ'লে চুবুৰীয়া হিচাপে থকাৰ অৰ্থ নহয়।" এই বুলি কৈ, আদিত্যাই চলপতিৰ ঘৰৰ চাবি কমলৰপৰা আগ্রহৰে ল'লে।

উগ্রশর্মা

ৰাতি পুৱাল। আদিত্যৰপৰা চাবিপাত নিবলৈ কমল চলপতিৰ ঘৰলৈ গ'ল। গৈ যি দেখা পালে—কমল হতভম্ব হৈ পৰিল। কমলে দেখা পালে—

আদিত্যক কটকটীয়াকৈ বান্ধি থোৱা হৈছে। কমলে খৰধৰকৈ আদিত্যক এই অৱস্থাৰপৰা মুক্ত কৰিলে। আৰু লগে লগে আদিত্য মূৰ্ছিত হৈ কটা কলগছ এটাৰ দৰে মজিয়াত বাগৰি পৰিল।

মুখে-চকুৱে পানী ছটিয়াই, পানী খুৱাই তপত গাখীৰ খুৱাই সুস্থ কৰি তুলি কমলে আদিত্যক সুধিলে, "কি হৈছিল কোৱাচোন, কোনেনে তোমাৰ আৰু ঘৰটোৰো এনে অৱস্থা কৰিলে? কিয় কৰিলে?"

আদিত্যই ক'লে, "ৰাতি দুৱাৰ খটখটোৱাৰ শব্দ উঠিল। মই ভাবিলোঁ—নিশ্চয় চলপতিৰ মাৰা-দেউতাৰা আহিল। গতিকে মই নিশ্চিন্ত মনেৰে তৎক্ষণাৎ দুৱাৰ খুলিলোঁ। আৰু লগে লগে এটা কদাকাৰ মানুহ সোমাই আহি মোৰ বুকুলৈ এখন মস্ত ডেগাৰ টোঁৱাই ধৰিলে। তাৰ পাছত সি মোক এনেকৈ কটকটীয়াকৈ বান্ধিলে আৰু মই যাতে চিয়ঁৰি মানুহ মাতিব নোৱাৰোঁ, তাৰ বাবে সেই মানুহটোৱে মুখৰ ভিতৰত কাপোৰ ভৰাই দিলে। মই অসহায়ভাৱে মানুহ জনৰ ওচৰত আত্মসমৰ্পণ কৰিবলগীয়া হৈছিলোঁ। তাৰ পাছত যে কেনেকৈ আৰু কিহৰপৰা



কি হ'ল—মই একো ক'ব নোৱাৰোঁ।"

কমল বৰ বিপাঙত পৰিল। কি ক'ব কি কৰিব একো ভাবি উলিয়াব নোৱৰা হ'ল। আৰু ঠিক তেতিয়াই চলপতি উপস্থিত হ'লহি তাত।

চলপতিয়ে আচৰিত হৈ কমলক সুধিলে, "কি হ'লনো—কমল?"

কমলে একো ক'বলৈ নৌপাওঁতেই চলপতিয়ে প্ৰায় আৰ্তনাদৰ দৰে কৈ উঠিল, "হায় হায়! মোৰ নগদে পাঁচশ ৰূপৰ গহনাখিনিও বাকচটো ভাঙি লৈ গ'ল!"

কমলে চলপতিক ঘটনাৰ কথা ক'লে। চলপতিয়ে হুমুনিয়াহ কাঢ়ি ক'লে, "এই ঘটনাত তোমালোকৰ একো ত্ৰুটি দেখা নাই। সকলো মোৰেই ভাগ্য!"

এই ঘটনাৰ পাছৰপৰা কমলৰ মনত সদা-সৰ্বক্ষণ এটা কথাই মূৰ দাঙিবলৈ ধৰিলে। কমলে ভাবি থাকিল যে এই অতি দুঃখজনক ঘটনাৰ মূল দায়িত্ব তাৰেই, এই ঘটনাত সিয়েই হ'ল প্ৰকৃততে জগৰীয়া। প্ৰায় হেজাৰ টকা মূল্যৰ ৰূপৰ গহনা আৰু নগদে পাঁচশ টকা চুৰি হ'ল। চলপতিৰ ঘৰৰ এই চুৰিৰ দায়িত্ব মোৰেই। চলপতিক কেনেবাকৈ ক্ষতিপূৰণ কৰিব পাৰিলে ভাল। ক্ষতিপূৰণ কৰা উচিত।

এই ঘটনাৰ সময়ত কমলৰ আত্মীয় মানুহ এজন নগৰলৈ আহিল। এই মানুহজনৰ নাম আছিল জনাৰ্দন। জনাৰ্দন হ'ল



এতিয়া এই নগৰৰ প্ৰধান কতোৱাল।

কমলৰপৰা সকলো কথা শুনি জনাৰ্দনে ক'লে, "কি কোৱাহে! আদিত্য—তোমাৰ বৰ বেছি দিনৰ চা-চিনাকি তো তাৰ লগত—কেনেকৈনো আদিত্যক চলপতিৰ ঘৰত থাকিবলৈ দিছিলা?"

"কথা হ'ল—আদিত্য হ'ল চলপতিৰ চুবুৰীয়া। সি কিছুদিনৰপৰা তাত ভাৰাটীয়া হিচাপে আছে—তাতকৈ বেছি মই একো ক'ব নোৱাৰোঁ তাৰ সম্পৰ্কে।"

জনাৰ্দনে দুই-চাৰি মুহূৰ্ত চিন্তা কৰি ক'লে, "কৈছা—আদিত্যক ঘৰৰ খুঁটাৰ লগত কটকটীয়াকৈ বান্ধি থোৱা হৈছিল। নহয় জানো? ভাল। পিছে — সেই বান্ধোনৰ গাঁঠি কোন ফালে আছিল, তাৰ আগফালেনে পিছফালে?"

"মোৰ বেছ ফটফটীয়াকৈ মনত পৰিছে—গাঁঠিটো আদিত্যৰ আগৰ ফালেই আছিল।" কমলে ক'লে।

লগে লগে জনাৰ্দন হাঁহি উঠিল। হাঁহি হাঁহিয়েই ক'লে, "কৈছা—এতিয়া মই কৈছোঁ! চলপতিৰ ঘৰত আদিত্যইহে চুৰি কৰিলে, আৰু সিয়েই নিজক নিজে খুঁটাৰ লগত বান্ধিলে। প্ৰকৃত চোৰে তাক বন্ধা-হেঁতেন — গাঁঠিটো আদিত্যই ৰছীডাল খুলিব নোৱাৰাকৈ আদিত্যৰ পিছফালেহে মাৰিলেহেঁতেন। আৰু—চোৰে কেতিয়াও এটা মানুহক বান্ধি থৈ ঘৰৰ দুৱাৰ জপাই থৈ নাযাব. সি দুৱাৰৰ শিকলিডাল নিশ্চয় বাহিৰফালৰপৰা উঠাই দিব—যাতে বান্ধি থোৱা মানুহজন একোপধ্যে ওলাব নোৱাৰে তাৰ বাবে।"

"হ'ল বাৰু, পিছে—আদিত্যয়েই যে চোৰ — সেই কথা প্ৰমাণ কৰা যাব কেনেকৈ?" কমল কণামূৰি যেন লাগিল।

জনাৰ্দনে কমলক উপায় কৈ দিলে।

পাছ দিনা কমলে আদিত্যক ক'লেগৈ, "আদিত্য, চলপতিৰ ঘৰত চুৰি কৰা চোৰটো সম্ভৱতঃ ধৰা পৰিল। পিছে—সি বেটাই

একো নজনাৰ ভাও জুৰিছে। সি বলিয়াৰ ভাও দিছে। এই বেটায়েই তোমাক ৰছীৰে বান্ধিলেনে কি—তুমি নিশ্চয় চিনি পাবা। সেইদেখি—এবাৰ মোৰ লগত তালৈ যাব লাগিব। চোৰটোক আজিয়েই যেনেতেনে ধৰিব লাগিব।”

আদিত্য মুহূৰ্তমানৰ বাবে যেনিবা মুহ্যমান হৈ পৰিল। তাৰ পাছত সি কমলৰ লগত গৈ থাকিল। গৈ গৈ সিহঁত দুয়ো আদালত পালেগৈ। তাত এজন মানুহক বলিয়াৰ দৰে আচৰণ কৰা দেখিয়েই আদিত্যই কৈ উঠিল, “সৌটো—সেই মানুহটোৱেই মোক খুঁটাৰ লগত বান্ধিছিল। ইয়েই চোৰ।”

বলিয়াৰ ভাও দিয়া মানুহজন আছিল স্বয়ং কতোৱাল জনাৰ্দন। জনাৰ্দনে তৎমুহূৰ্ততে আদিত্যৰ ডিঙিত টিপা মাৰি ধৰি ক’লে, “তুমি জানানে যে মই এখন নগৰৰ প্ৰধান কতোৱাল? চলপতিৰ ঘৰত চুৰি কৰিছা বুলি স্বীকাৰ নকৰিলে তোমাক হাজাৰ হাজাৰ বিছাৰে ভৰি থকা সৰু এন্ধাৰ কুঠৰী এটাত সুমুৱাই থোৱা হ’ব। তেতিয়া জানিবা কিমান ধানত কিমান চাউল এয়ে হ’ব তোমাৰ প্ৰথম শাস্তি। পাছত আৰু নগুৰ শাস্তি দিয়া হ’ব।

আদিতাই পোনতে আওজেৰীয়া কোবাবলৈ চেষ্টা কৰিলে। কিন্তু তাৰ পাছত—ভয়ৰ কোবত চুৰি কৰাৰ কথা তলমূৰ হৈ মানি ল’লে।

পাছত প্ৰহৰীহঁতে আদিত্যৰ ঘৰৰপৰা চুৰি হোৱা বস্তুবোৰ উদ্ধাৰ কৰিলে। আৰু তাৰ পাছত—জনাৰ্দনে আদিত্যক বান্ধি থৈ চলপতিক সকলো কথা ভাঙি-পাতি ক’লেগৈ।

তাৰ চুবুৰীয়া ভাৰাটীয়া ভণ্ড আদিত্যৰ এনে অভাৱিত কাণ্ডৰ কথা শুনি চলপতি প্ৰচণ্ড বিস্মিত হ’ল আৰু তাক তপত পিণ্ড খুৱাব বুলি সৈ কাঢ়িলে।

তিনিটা তামৰ মুদ্ৰা

চাং আছিল এজন ধঁপাত-বেচোঁতা মানুহ। সি বাঁহৰ কানমাৰিৰ দুমূৰে ধঁপাতৰ পাচি ওলোমাই লৈ বাটে-পথে চুবুৰিয়ে চুবুৰিয়ে ঘূৰি ঘূৰি ধঁপাত বেচিছিল।

এদিন অসংখ্য মানুহৰ ঠেলা-হেঁচাৰ মাজত ধঁপাতৰ কানমাৰিৰে সৈতে চাং কেনেবাকৈ সোমাই পৰিল আৰু ভিৰ ফালি ওলবলৈকো বাট নোপোৱা হ'ল। তেনেতে এজন বুঢ়া মানুহে চাঙৰ পিঠিত টোকৰ মাৰি ক'লে, "হেৰাহে বোপা, মোক এচিলিম ধঁপাত দিব পাৰিবানে?"

চাঙে বুঢ়া মানুহজনলৈ চালে, ধঁপাত দিব বুলিও ক'লে; কিন্তু মানুহৰ ইমান ঠেলা-হেঁচাৰ মাজত কানমৰিখন ক'ত যে নমাব, তাকেহে ভাবি নাপালে। সকলোতে মানুহেই মানুহ, তিল ধাৰণৰ ঠাই নাই।

বুঢ়াই চাঙক তিনিটা তামৰ মুদ্ৰা দিলে। মাত্ৰ এচিলিম ধঁপাতৰ দাম হিচাপে তিনিটা তামৰ মুদ্ৰা কম নাছিল।

চাঙে বুঢ়া মানুহজনক ক'লে, "ইমান ভিৰৰ মাজত কানমাৰিখন নমাব নোৱাৰি, ককা। তুমি ধঁপাত এচিলিম বাৰু নিজেই চিলিমত ভৰাই লোৱাচোন।"

বুঢ়াই বুঢ়া আঙুলিৰে টিপা মাৰি মাৰি চাঙৰ ধঁপাতৰ পাচিৰপৰা ধঁপাত চিলিমত ভৰাবলৈ ধৰিলে। চাঙে লক্ষ্য কৰিলে, ভালেখিনিমান ধঁপাত সেই চেলিমটোত বুঢ়াই ভৰাই ল'লে। ইমান অকণমান চিলিমটোত ইমানখিনি ধঁপাত যে কেনেকৈ বুঢ়াই ভৰাব পাৰিলে, ভাবি চাং অবাক হ'ল। তাৰ পাছতো, বুঢ়াই আৰু ভালেখিনিমান ধঁপাত ভৰালে।

চাঙে ভাবিলেঃ এই বুঢ়াই জাদু জানেনে কি? নহ'লেনো—চিলিম এটাত ইমান ধঁপাত বাৰু কেনেকৈ ভৰায়? চাঙে এইবোৰ কথা ভাবি থাকোঁতেই তাৰ পাচি দুটা প্ৰায় খালীয়েই হৈ পৰিল। যিহেতু বুঢ়াক সি নিজেই ভৰাই লব'লৈ কৈছে চিলিমত, সিহেতু এতিয়া মানাও কৰিব নোৱাৰে ধঁপাত নিবলৈ। এটা সৰু চিলিমত যে কেনেকৈ ইমান ধঁপাত ভৰালে—ভাবি—চাঙৰ চিলিম ছিগিল।

কিন্তু যেতিয়া বুঢ়াই চাঙৰ আটাইখিনি ধঁপাত চিলিমত ভৰাই লৈ নিমিষতে নোহোৱা হৈ গ'ল, তেতিয়া চাঙে চকুপানী মচি মচি ঘৰলৈ বুলি খোজ ল'লে।

এতিয়া আৰু কানমাৰিৰ পাচিত সেই তিনিটা তামৰ মুদ্ৰা বাহিৰে একো নাই, তথাপি যে কিয় কানমাৰিখন কঢ়িউৱাত ইমান কষ্ট হৈছে, কিয় ইমান গধুৰ তৈছে, চাঙে একো ঠাৱৰ কৰিব নোৱাৰিলে।

বহু কষ্টেৰে কানমাৰিখন কঢ়িয়াই লৈ সি ঘৰ পালেহি। কানমাৰিখন কান্ধৰপৰা ঘৰৰ দুৱাৰমুখত নমোৱাৰ লগে লগেই চাঙে হতবাক হৈ দেখা পালে যে—তাৰ ধঁপাতৰ পাচি দুটা তামৰ পইচাৰে ভৰি পৰিছে! এই অদ্ভুত কাণ্ড দেখি কি ক'ব-কি কৰিব ভাবি থাকোঁতেই তামৰ মুদ্ৰাবোৰ সেই পাচিৰপৰা উপচি পৰিল!

অধৈৰ্য্য বা অস্থিৰ নহৈ, চাঙে আটাই-

খিনি তামৰ মুদ্ৰা সযত্নে বুটলি লৈ ঘৰত থৈ দিলে আৰু ঘৰৰ বাহিৰলৈ ওলাই চাবলৈ ধৰিলে। হঠাৎ তাৰ কাণত পৰিল। এটা বিচিত্ৰ জনৎকাৰৰ শব্দ। এই শব্দটো ঘৰৰ ভিতৰৰপৰা উঠিল। সি ঘৰৰ ভিতৰলৈ গৈ দেখা পালে যে ঘৰৰ ভিতৰত থৈ দিয়া মুদ্ৰাবোৰ আপোনা-আপুনি বাঢ়ি গৈছে। ক্ৰমাত বাঢ়িছে, আৰু মজিয়াত পৰি শব্দ উঠিছে।

তেতিয়া চাঙে তাৰ ঘৰত থকা আটাই-বোৰ পাত্ৰত, ডাঙৰ টৌত, কেৰাহীত, বাল্‌টিত, মঠীয়াতো তামৰ মুদ্ৰাবোৰ ভৰাই থ'লে; কিন্তু তথাপি মুদ্ৰা বাঢ়ি গৈ থাকিল!

চাং এৰাতিৰ ভিতৰতে ধনী হৈ গ'ল। আৰু সি বাটে-পথে ঘূৰি ঘূৰি ইমান ভাগৰি-জুগৰি কানমাৰিৰে কড়িয়াই ধঁপাত বেচি ফুৰিব নালাগে। সি ইমান ধনেৰে মহাজনী কাৰবাৰ কৰিব, লোকৰ ইটো-সিটো বন্ধকী হিচাপে ল'ব আৰু তাৰ বিনিময়ত টকা ধাৰলৈ দি ন্যায্য পৰিমাণে সুত ল'ব বুলি স্থিৰ কৰিলে।

আটাইতকৈ বিস্ময়ৰ কথা হ'ল এয়ে যে — যিবোৰ পাত্ৰৰপৰা উপচি পৰাত তামৰ মুদ্ৰাবোৰ সি আন পাত্ৰত ভৰাই থ'বলৈ ধৰিলে, সেইবোৰ পাত্ৰও নিমিষতে তামৰ মুদ্ৰাৰে পৰিপূৰ্ণ হৈ পৰিল।

কেইদিনমান এইদৰেই অবাক-বিবাক-কাণ্ড-কাৰ্যনা চলি থাকিল। তাৰ পাছত এদিন আন এজন বুঢ়া মানুহ আহিল, আৰু তেওঁ কেইপদমান বস্তু চাঙৰ ওচৰত বেচিব খুজিলে।

চাঙে বুঢ়া মানুহজনক সুধিলে, "বস্তু-কেইটাৰ দাম কিমান ল'বা, ককা ?

বুঢ়াই ক'লে, "তিনিটা তামৰ মুদ্ৰা।"

চাঙে বুঢ়াক তিনিটা তামৰ মুদ্ৰা দি বস্তুকেইপদ ল'লে আৰু বুঢ়া মানুহজন গুচি গ'ল। ঠিক তেতিয়াৰেপৰাই তামৰ মুদ্ৰাৰ বাঢ়ন বন্ধ হ'ল।



যঁতৰ-যাতনা

বিয়া হোৱাৰ কেইমাহমানৰ পাছত গিৰিয়েক যামিনীয়ে ঘৈণীয়েক মোহিনীক এটা যঁতৰ আনি দিলে আৰু ক'লে, "লোৱা, এতিয়াৰপৰা তুমি ঘৰত বহি সূতা বোৱা-কটা কৰিবা। সূতাখিনি মিহিকৈ কাটিবা। মিহি যিমান হ'ব সিমানেই দেখাতো ভাল, পিন্ধি-উৰিও আৰাম আৰু মিহিতকৈয়ো মিহি হ'লেহে বোৱা-কটাৰ দাম, লগতে বোৱনীৰো নাম।"

চুক-সুন্দৰ যামিনীৰ চেলবেলীয়া কথা শুনি, আৰু কৈছেই যেতিয়া হাজাৰ বুজনিতো যে নৰৈছে—সেই কথাটি ভাবি-গমি ঘৈণীয়েক মোহিনীৰ মুখ শেঁতাপৰিল। তাই ক'লে, "ম্‌মই—মইনো যঁতৰত সূতা কাটি উলিয়াব পাৰিম কেনেকৈ? এইবোৰ তো নাজানো ই, কেতিয়াও নাই শিকা।"

"নাই শিকা—শিকি ল'বা — ল'ব লাগিব—কাটিব লাগিব। তোমাৰ কটা সূতাৰে মোৰ চুৰিয়া হ'ব, চোলা হ'ব, সেই চুৰিয়া-চোলা পিন্ধিম মই, বজাৰৰপৰা কি'ন নিপিন্ধো।" গিৰিয়েক যামিনীয়ে ঘৈণীয়েকক বুজাই ক'লে।

"কিন্তু কৰিমনো কেনেকৈ? মই যিটো কাম কৰিব নাজানো— "

"চেৰ হ'ল-— " পৰিশ্ৰমৰ কামটো নকৰিব বুলি ফাঁকি-ফুকাকৈ তেনেকৈ কোৱা বুলি ভাবি গিৰিয়েক যামিনীয়ে ঘৈণীয়েক মোহিনীক ক'লে, "আৰু আসৈ মাতিব নালাগে, মিছাৰ ভঁৱাল সাজিব নালাগে। এই কামটো কৰিবই লাগিব, মই কোনো ওজৰ-অপত্তি নুশুনো।" এই বুলি কৈ, যামিনী ঘৰৰপৰা ওলাই গ'ল।

'পঁচিছ-বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



মোহিনীৰ মনৰ দুখ কুলাই পাচিয়ে নধৰা হ'ল। ইমান ভাল ঘৰ-বৰ চাই বিয়া হ'ল, ছটা মাহ পাৰ নৌহওঁতেই এই? ছাল কাঢ়ি ঢোল ছেৱ যেনহে লাগিছে। উপায়েইবা কি আছে? তাই গিৰিয়েকৰ আও-ভাও দেখি ভয়েই খালে।

তথাপি তাই যঁতৰ আৰু কপাহ লৈ বহিল। বহিল—কিন্তু বৰ সুবিধা নহ'ল। মিহি সূতা নালাগে—মোটা সূতাও কাটি উলিয়াব নোৱৰা হ'ল তাই। দৰাচলতে—সূতা তাই কাটিব নোৱাৰিলেই।

গধূলিৰ পাছত ঘৰ পাই ঘৈণীয়েকৰ কামৰ নামত আকাম দেখি খঙতে জ্বলি-পকি জিকজিকাই উঠি যামিনীয়ে মোহিনীক ক'লে, "মই কিন্তু কথাষাৰ কথাৰ কথা হিচাপে কোৱা নাছিলোঁ, গুৰুত্বপূৰ্ণভাৱেই কৈছিলোঁ। তুমি যদি যঁতৰত সূতা কাটি কাপোৰ বৈ উলিয়াব নোৱাৰা, এই কাম কৰিব পৰা এজনীক মই পুনৰ মই বিয়া কৰাম, আৰু তোমাক তোমাৰ মাৰাৰ ঘৰলৈ পঠিয়াই দিম, আৰু—আৰু জীৱনতো তোমাক মই ঘৰত নানিম। মোৰ এই কামৰ বাবে কইনা বিচাৰি উলিয়াবলৈ কালিলৈয়েই কোনোবা ঘৰ-পতা ককাক ধৰিম, মই নিজেও ওলাম।"

মোহিনীৰ মনত দুখৰ সাগৰ উথলি উঠিল। যঁতৰ সিহঁতৰ ঘৰত থকাহেঁতেন, আজি এই পৰিস্থিতিৰ সৃষ্টিৰ নহ'ল-হেঁতেন। এতিয়া—কি হ'ব? কেনেকৈ কি কৰিব? সঁচাসঁচিকৈ যদি যঁতৰৰ কাৰণে যাঁচি কিল খাব লাগেই? বাৰীৰ বাগানৰ এচুকত শিল এচটাৰ ওপৰত বহি তাই ভাবি আছিল এইবোৰ কথা।

হঠাৎ তাইৰ কাণত পৰিল আন কিছুমান কথা। কোনেনো ইয়াত কাৰ লগত কথা পাতিছে? তাই চাৰিওফালে চালে। ইফালে-দিফালে চোৱাৰ পাছত তাইৰ এনেহে লাগিল — যেনিবা এই শিলচটাৰ তলৰ পৰাহে কথাবোৰ ওলাইছে।

ভবাৰ লগেই ল:গই মোহিনীয়ে শিলচটা তাৰপৰা গুচালে। শিলচটাৰ তলত সুড়ংগ এটা দেখা পালে তাই। মোহিনীয়ে ভয় নকৰি সুড়ংগৰ ভিতৰলৈ গ'ল। অলপমান গৈ:য়েই তাই সুড়ংগৰ ভিতৰত চোৰ চাঙৰ দৰে সৰু কুঠৰী এটা দেখা পালে। আৰু তাত দেখা পালে দুজনী চুটি-চাপৰ তিৰোতাক। তেওঁলোকে —এই চুটি-চাপৰ তিৰোতা দুজনীয়ে একাণপতীয়া হৈ যঁতৰত সূতা কাটি আছিল। যঁতৰটোৰ গতি আছিল অতি খৰ। এইবোৰ দেখি মোহিনী অবাক হ'ল।

মোহিনীক তাত দেখি সেই তিৰোতা দুজনীও হতবাক। মোহিনীয়ে সিহঁত দুজনীক ক'লে, "তোমালোক কোন—মই ক'ব তো নোৱাৰিম, পিছে—তোমালোকৰ যঁতৰৰ কাম দেখি মই অবাক হৈছোঁ। ইমান খৰকৈ ইমান ভাল মিহি সূতা যে কাটি উলিয়াব পৰা পৰা যায়—জীৱনত প্ৰথম দেখা পালোঁ।"

তাৰ পাছত মোহিনীয়ে তাইৰ দুখৰ কথা ক'লে, সিহঁতক দুজনীক। কওঁতে মোহিনীয়ে কান্দি পেলালে।

সেই দুজনীৰ মাজত এজনীয়ে তিৰোতাৰ মোহিনীক ক'লে, "নাকান্দিবা, মোহিনী। তোমাৰ তেওঁ আকৌ যেতিয়া এইবোৰ কাম কৰিবলৈ ক'ব, আমাক ইয়াৰপৰা মাতি নিবাহি, আমি সেই কাম মুহূৰ্ততে

কৰি দিম। কথা দিলোঁ তোমাক। তুমি আৰু চকুলো নোবোৱাবা।"

মোহিনীয়ে এইবাৰ স্বস্তিৰ উশাহ এৰিলে। যাহওক ইমান দুখৰ মূৰত ঈশ্বৰে মূৰ দাঙি চালে তেও।

পাছদিনাও গিৰিয়েকে সূতা কাটিবলৈ টানি কৈ ঘৰৰপৰা ওলাল।

আৰু লগে লগে মোহিনীয়ে সুড়ংগৰ-পৰা সেই দুজনীক মাতি আনিলেগৈ। সেই দুজনীয়ে অতি কম সময়ৰ ভিতৰত মোহিনীৰ কামখিনি হেলাৰঙে কৰি দিলে।

এনেতে গিৰিয়েক যামিনী পুনৰ ঘৰলৈ আহিল। আহি চুটি-চাপৰ অচিনাকি তিৰোতা দুজনীক দেখা পাই থমক খাই ৰ'ল।

যামিনীয়ে মোহিনীক লাহেকৈ সুধিলে, "এওঁলোকনো কোন— ?"

"এওঁলোক আমাৰ চুবুৰীয়া। এওঁ-লোকক আজি মই আমাৰ ইয়াত ভাত খাবলৈ মাতিছিলোঁ।" মোহিনীয়ে ক'লে।

তাৰ পাছত আটাইকেইজনেই একে-লগে খাবলৈ বহিল। খোৱাৰ সময়ত যামিনীয়ে এটা বিশেষ ঘটনালৈ মন কৰিলে যে — সেই তিৰোতা দুজনীয়ে সদায় এফালে মুখ ঘুৰাই বহিছিল। কথাটো খৰচি মাৰি জানিবৰ মনেৰে যামিনীয়ে এই বিষয়ে সোধাত তিৰোতা দুজনীয়ে ক'লে, "পুৱাৰপৰা ৰাতিলৈকে যঁতৰৰ পিনে চাই চাই সূতা কাটি কাটি আমাৰ এনেকুৱা অৱস্থা হ'ল। আমি সদায় এফাললৈহে চাই থাকোঁ।"

তিৰোতা দুজনী গুচি যোৱাৰ পাছত যামিনীয়ে তাৰ ঘৈণীয়েক মোহিনীক ক'লে, "শুনা, তুমি চালে চকু ৰৈ যোৱা দেখিয়েইহে মই তোমাক আনিছিলোঁ। যঁতৰত সূতা কাটি যদি সেই দুজনীৰ দৰে হ'ব লাগে যঁতৰ-যাতনা আঁতৰ হওক।"

এই ঘটনাৰ পাছৰপৰা গিৰিয়েক-ঘৈণীয়েকৰ মাজত সুসম্পৰ্কে গঢ়ি উঠিল।

মাস্কৰিন দ্বীপসমূহত ৰাফিয়া পাম্ নামৰ এবিধ তাল গছ ওপজে। আমাজোন অঞ্চলত ওপজে বাঁহৰ নিচিনা তাল গছ (বেম্বু পাম্)। এই বাঁহ-পতীয়া পাম্ গছৰ একোটা পাত দীঘলে প্ৰায় ৬৫ ফুট !

ভোকোহাৰো দেহৰক্ষী !

ভোকোহা এন্দুৰ-জাতীয় এবিধ প্ৰাণীৰ নাম হ'ল 'মেৰমাটছ'। ইহঁতে দেহৰক্ষী বিনে ফুৰা-চকা নকৰে। চিকাৰী চৰাই, বা জন্তু নাইবা মানুহে সিহঁতক চিকাৰ কৰাৰ মনেৰে যেতিয়া আক্ৰমণ কৰিবলৈ আহে, তেতিয়া সেই দেহ-ৰক্ষীয়ে সুহুৰিয়ায়, আৰু সেই সুহুৰি শুনি মেৰ্‌মাট্‌ছ গাঁতলৈ গুচি যায়।

বিগত ৬০০ মিলিয়ন (১ মিলিয়ন = ১০ লক্ষ) বছৰত আমাৰ এনেহেন মনমোহা সুন্দৰী পৃথিৱীৰ আনুমানিক ২০০০ বাৰ বিভিন্ন ধৰণৰ জ্বৰ অৰ্থাৎ প্ৰাকৃতিক আলোড়নৰ সৃষ্টি হৈছে !

সতিকৈ মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰত্যুৰা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক

অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্, মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৭৫'০০ টকা * উৰা-জাহাজ যোগে ১৫০'০০ টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮১'০০ টকা * উৰা-জাহাজ যোগে ১৫০'০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্বনছে পোৱাকৈ
কেবল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

ছাৰ্কুলেশ্বন মেনেজাৰ
চান্দমামা পাবলিকেশ্বনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ এপ্ৰিল সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৯ চনৰ ফেব্ৰুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৮ চনৰ ডিচেম্বৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ক্ৰিকেট হেনো খেলৰ ৰজা ! দ্বিতীয় ফটো : সাঁতোৰতো দেখোন মজা !

পুৰস্কাৰ প্ৰাপক : এম্' মান্না, বি. পি, ৰ'ড. কলিকতা-৭০০ ০৪২

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা
ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :
DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI,
MADRAS-600 026
নাইবা
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Have a great time with

JUNIOR QUEST

Where finding out is fun

The new monthly English children's magazine.

Join the Jungle Adventure

Play the Up-and-Down Classroom

Meet Sompong, the Siamese Boy.

Read about the Giant Panda

Price : Rs. 5

Watch out for it from February 1989!

A SUPER BARGAIN

A SUPER BARGAIN FOR OUR FIRST Subscribers . . . A Whole Year's Junior QUE
for Rs. 50/- only
HURRY NOW and
Send Your Money order / Postal order / Demand Draft to M/s. DOLTON AGENCIES,
CHANDAMAMA BUILDINGS,
VADAPALANI , MADRAS 600 026

A Chandamama Vijaya Combines publication

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

–from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

So much in store, month after month.

STRIKE IT RICH!
nutrine
GOLD
It's rich, creamy and tasty
Ask for Gold. You'll get nutrine naturally
nutrine GOLD
nutrine GOLD
THE FINEST, WIDEST RANGE
nutrine